# পাতিদৰং মহাবিদ্যালয় আলোচনী



তত্ত্বাৱধায়ক
মহঃ মুকুটৰ ৰহমান

সম্পাদক
সোনাতন ডেকা



কৰ্মৰত অৱস্থা
পাতিদৰং মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীগিৰিধৰ শৰ্মা।



মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীবৃন্দৰ একাংশ।

# পাতিদৰং মহাবিদ্যালয় আলোচনী

চতুৰ্বিংশতিম্ বৰ্ষ

ত্ৰয়োবিংশতিতম্ সংখ্যা

প্ৰতি,

মাননীয় / মাননীয়া ........................................................

.................................................................................... লৈ

ধন্যবাদেৰে—

সম্পাদক

তত্ত্বাৱধায়ক
মহঃ মুকুটৰ ৰহমান

সম্পাদক
সোনাতন ডেকা

পাতিদৰং মহাবিদ্যালয় আলোচনী

পাতিদৰং মহাবিদ্যালয় আলোচনী
বছৰেকীয়া প্ৰকাশ
ইং ২০১২-২০১৩ বৰ্ষ



সম্পাদনা সমিতি ঃ-

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীগিৰিধৰ শৰ্মা অধ্যক্ষ |
| তত্বাৱধায়ক | ঃ | সহঃ মুকুটৰ ৰহমান |
| সম্পাদক | ঃ | শ্ৰীসোনাতন ডেকা |
| সদস্য বৃন্দ | ঃ | শ্ৰীদুলাল শৰ্মা |
| | | শ্ৰীদীপক কুমাৰ বড়ো |
| | | শ্ৰীদীনেশ ডেকা (চানু) |
| | | শ্ৰীসমৰ ডেকা |
| বেটুপাত সজ্জা | ঃ | |
| | | শ্ৰী সমৰজ্যোতি ডেকা |
| | | শ্ৰীহীৰকজ্যোতি ডেকা |
| অংগ সজ্জা | ঃ | শ্ৰীসোনাতন ডেকা |

ক্ষমা প্ৰাৰ্থনা

অজানিতে কোনো লেখানি পুনৰ প্ৰকাশ হ'লে সম্পাদনা সমিতি দায়ী নহয়।

মুদ্ৰণ ঃ মা মনসা প্ৰিন্টাৰ্চ
জু-ৰোড তিনিআলি
গুৱাহাটী-৩

# শ্ৰদ্ধাঞ্জলি

স্বনামধন্য বিশ্ববৰেণ্য শিল্পী সুধাকণ্ঠ অসমৰত্ন, পদ্মশ্ৰী ড° ভূপেন হাজৰিকাদেৱ, পঞ্চাৱতী মহিয়সী নাৰী জ্ঞানপীঠ বঁটা বিজয়ী ড° মামণি ৰয়ছম গোস্বামী, সুগন্ধি পখিলাৰ কবি শব্দ পুৰুষ হীৰেণ ভট্টাচাৰ্য্য, বিশিষ্ট বৈষ্ণৱ পণ্ডিত শংকৰদেৱ বঁটাপ্ৰাপক সোণাৰাম চুতীয়া, কবি বিৰিঞ্চি ভট্টাচাৰ্য্য, নাম নাই নাম আছে'ৰ সম্পাদক মেজৰ সত্যব্ৰত লহকৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য পাতিদৰং মহাবিদ্যালয় পৰিচালনা সমিতিৰ অন্যতম সদস্য মোহন চন্দ্ৰ ডেকাদেৱ, জাতীয়তাবাদৰ অন্যতম প্ৰৱক্তা ড° দেৱপ্ৰসাদ বৰুৱা সু-সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য্য, সাংবাদিক ৰমেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা, চাৰুকলা আৰু ভাস্কৰ্য্য শিলৰ শিৰোমণি শোভা ব্ৰহ্মা, দৰদী গায়ক গীতিকাৰ চাৰু গোঁহাই, লোকগীত গায়ক ৰামেশ্বৰ পাঠক, জনপ্ৰিয় গায়িকা মিতালী চৌধুৰী, প্ৰবান সুকণ্ঠী শিল্পী তুলিকা সেনাপতি, নাগাৰা নামৰ পাঠক মহেন্দ্ৰ দাস আৰু জ্ঞাত-অজ্ঞাত সমাজকৰ্মী, শিল্পী সাহিত্যিক, অসমৰ জাতিগত আৰু গোষ্ঠীগত সংঘৰ্ষত নিহত নিৰীহ ব্যক্তিসকলৰ লগতে যিসকলে নিৰৱচ্ছিন্নভাৱে লাগি সমাজৰ উন্নতিৰ লগতে অসমীয়া সাহিত্য সংস্কৃতিলৈ অনবদ্য বৰঙণিৰে ভড়াল চহকী কৰি থৈ গৈছে সেইসকলৰ পবিত্ৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি নিবেদিলোঁ।

সম্পাদনা সমিতি—
**পাতিদৰং মহাবিদ্যালয় আলোচনী**

Jadab Chandra Deka
MLA- Kamalpur

सत्यमेव जयते

Rajgarh Link Road, Bye Lane No.-5
House No.-12, Anil Nagar, Guwahati-7
Mob.No.- +91 94350 48020



Date. ২৭/২/২০২৪

প্ৰতি
সম্পাদক, পাতিদৰং মহাবিদ্যালয় আলোচনী বিভাগ

কামৰূপ জিলাৰ কমলপুৰ সমষ্টিৰ অন্তৰ্গত পাতিদৰং মহাবিদ্যালয়ে আপোন ইয়াৰ আলোচনী ২০২৪-২৫ বৰ্ষৰ লগত প্ৰতি বছৰে প্ৰকাশ কৰি অহা মহাবিদ্যালয়ৰ আলোচনী আপোন ২৫ বছৰত ভৰি দিছেহি। এই ২৫ বছৰে ছাত্ৰ-ছাত্ৰী সকলে আলোচনী খনত লেখাৰ জৰিয়তে সাহিত্য জগত খনলৈ অশেষ বৰঙণি যোগাৰ প্ৰয়াস পাইছে।

বৰ্তমান সমষ্টিৰ বিধায়ক হিচাপে আলোচনী সম্পাদক, তত্ত্বাবধায়ক লগতে ছাত্ৰ একতা সভাৰ সদস্যক শুভেচ্ছা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

বিদ্যায়তনিক মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰী নিতিশ কলিতা এই প্ৰতিষ্ঠানটিক, আৰ্থিক ভাবে বিধিবদ্ধ মহাবিদ্যালয় হিচাপে গঢ়ি তোলাৰ লগতে বাউলোক ছাত্ৰ-ছাত্ৰী সকলক আদৰ্শ বিদ্যা দি উন্নতিৰ একান্তিক প্ৰচেষ্টা কৰিছে। তেখেতলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা থাকিব, লগতে মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকললৈও মোৰ হিয়াভৰা শুভেচ্ছা থাকিব,

ইতি

যাদৱচন্দ্ৰ ডেকা
J. C. Deka
MLA, Kamalpur

Vill.- Bama, P.O.- Karara, Bihdia, Kamrup (Assam)

| বিষয় | লিখক | পৃষ্ঠা |
|---|---|---|
| **প্ৰবন্ধ** | | |
| এটি মিঠা শব্দ মা | শ্ৰীঅনামিকা দাস | ১-২ |
| সময় | শ্ৰীবৰ্ণালী দাস | ৩-৪ |
| যড়যন্ত্ৰৰ ফল নেকি নাৰী নিৰ্যাতন | শ্ৰীচিমি দেৱী | ৫-৬ |
| **গল্প** | | |
| প্ৰয়াস | শ্ৰীসুনীল কলিতা | ৭-১২ |
| ভগ্ন সপোন | বুবুল দাস | ১৩-১৪ |
| জীৱনৰ সংঘাট | মমী তালুকদাৰ | ১৫-১৬ |
| বান্ধৱী | দিপালী ৰাজবংশী | ১৭ |
| স্বীকাৰোক্তি | সঞ্জীপ দাস | ১৮-১৯ |
| **কবিতা** | | |
| অতীতক নাযাবা পাহৰি | মিছ মিজুমা বেগম | ২০ |
| তোমালৈ | শ্ৰী জুমি কাকতি | ২০ |
| ভগ্ন হিয়াৰ বিননি | শ্ৰী মধুস্মিতা নাথ | ২১ |
| নুবুজানে তুমি | মিছ সোন মইনা নাহৰ | ২১ |
| যেতিয়া সপোনবোৰ উৰে | শ্ৰীঅনুপ জ্যোতি ডেকা | ২২ |
| আশা | শ্ৰীজোনালী ডেকা | ২২ |
| অপেক্ষা | মিছ ইলিমা বেগম | ২৩ |
| মনে বিছাৰে তোমাক | মিছ চেলিমা বেগম | ২৩ |
| তোমালৈ মোৰ মনত পৰে | শ্ৰীবিকাশ শৰ্মা | ২৪ |
| সৈনিক | শ্ৰীবৰষা ডেকা | ২৪ |
| বেদনাৰ অন্য এক নাম 'প্ৰেম' | শ্ৰীউৎপল কাকতি | ২৫ |
| মাতৃ | শ্ৰীসংগীতা বৰুৱা | ২৫ |
| আৰ্ত্তনাদ | মিছ লাইলা বেগম | ২৬ |
| চক্ৰবেহু | শ্ৰীৰূপজ্যোতি গোস্বামী | ২৬ |
| দুখ আৰু যন্ত্ৰণা | শ্ৰীৰিংকু কুমাৰ সিংহ | ২৭ |
| মোৰ প্ৰথম প্ৰেম্য | শ্ৰীকমল ডেকা | ২৭ |
| বেদনাৰ চকুলো | শ্ৰীনৱনিকা নাথ | ২৮ |
| প্ৰতীক্ষা | শ্ৰীটিংকু মণি ডেকা | ২৮ |
| তোমাৰ অবিহনে | মিছ চাৰ্জিনা বেগম | ২৯ |
| দুদিয়া মানৱ জীৱন | শ্ৰীঘনশ্যাম দাস | ২৯ |
| বৰষা | শ্ৰীদীপক কুমাৰ | ৩০ |
| বিহংগিনী | শ্ৰীকৰবী ডেকা | ৩০ |
| মেছেজ ডিলিট নকৰিব | শ্ৰীপম্পী ডেকা | ৩১ |
| জোনাক | শ্ৰীনয়ন মণি গোস্বামী | ৩১ |
| মোৰ জীৱন | শ্ৰীৰিতামণি কলিতা | ৩২ |
| মৃত্যু | শ্ৰীকিশোৰ ডেকা | ৩২ |
| **দিনলিপি** | | |
| পাতিদৰং মহাবিদ্যালয়ত | শ্ৰীজয়শ্ৰী ডেকা | ৩৩ |
| **জীৱনী** | | |
| এ আৰ বহমান, জয় হো | শ্ৰীভাস্যতি শৰ্মা | ৩৪-৩৫ |
| প্ৰতিবেদন | | ৩৬-৩৯ |
| কুইজ, কৌতুক | | ৪০-৪২ |



# অধ্যক্ষৰ একলম.....

১৯৯৩ চনৰ আগষ্ট মাহত পাতিদৰং মহাবিদ্যালয়ত দৰ্শনা বিভাগৰ সহকাৰী অধ্যাপক হিচাপে যোগদান কৰি ২০০৫ চনৰ চেপ্তেম্বৰ মাহত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দ্বায়িত্ব ভাৰ ও ল'ব লগা হয়। ২০০৫ চনত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দ্বায়িত্ব ভাৰ গ্ৰহণ কৰাৰে পৰা পাতিদৰং মহাবিদ্যালয়ৰ আলোচনীখন ধাৰাবাহিক ভাৱে প্ৰকাশ হৈ আহিছে। আজিৰ দিনত আলোচনী খনৰ লেখনি সমূহৰ  গুণগত মানদণ্ড কিমান উন্নত হৈছে সেই কথা ছাত্ৰ-ছাত্ৰী শিক্ষক তথা পঢুৱৈ সমাজে বিচাৰ কৰিব, কিন্তু আহি থকা সময়বোৰত যে আলোচনীখনে সফলতাৰ বাটত আৰু বহুদুৰ আগুৱাব সেই কথা আজিৰ দিনত  ন দি কব পৰা যায়।

এই সংখ্যাটি প্ৰচাৰৰ দ্বায়িত্বলৈ সম্পাদক আৰু তত্বাবধায়কে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগীয়া হৈছে যদিও সময়ত সফলতা পাইছে বুলিয়ে ভাবিছো আৰু এই চেগতে তেওঁলোকৰ শলাগ ললো।

পৰিশেষত আলোচনীখনৰ লগত মহাবিদ্যালয়খনৰ সৰ্ব্বাংগীন উন্নতি কামনা কৰিলো

জয়তু পাতিদৰং মহাবিদ্যালয়

**— শ্ৰীগিৰিধৰ শৰ্মা**
ভাৰপ্ৰাপ্ত অধ্যক্ষ
পাতিদৰং মহাবিদ্যালয়

## সম্পাদকীয় কলম.....



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক শ্ৰদ্ধা যাচিছোঁ। যি সকল ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত পাতিদৰং মহাবিদ্যালয়ৰ দৰে অনুষ্ঠানটোৱে জন্ম পালে যিসকল মহান ব্যক্তি তথা যিসকল শিক্ষাগুৰুৱে আমাক শিক্ষাদান কৰি ভৱিষ্যতে এক সু-নাগৰিক হোৱাত সহায় আগবঢ়াইছে সেইসকললৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা তথা শ্ৰদ্ধা জ্ঞাপন কৰিলো।

প্ৰত্যেক জন ব্যক্তিৰ জীৱনলৈ শৈশৱ কৌশোৰৰ মূহুৰ্তবোৰ এক সোণালী অধ্যায় হিচাপে দেখা দিয়ে। এই সোণালী মূহুৰ্তৰ আচাৰ ব্যৱহাৰ আৰু ক্ৰীড়া কলাপেই জীৱন অভিলাষৰ সৃষ্টি কৰে। এই অভিলাষাবোৰ পুৰণ কৰিবলৈ যাওঁতে কোনো যাতে বিপথে পৰিচালিত নহয়। তাৰ বাবে সতৰ্ক হোৱাটোত এই মহান ব্যক্তি সকলে অতি গুৰুত্ব পূৰ্ণ ভুমিকা পালন কৰে।

কাকত আলোচনীয়ে সাহিত্য বিকাশত প্ৰধান ভূমিকা লয়। কাকত আলোচনীৰ কথা স্বীকাৰ কৰিবই লাগিব। অসমীয়া ভাষা- সাহিত্য বিকাশৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। অৰুনোদয়, বাঁহী, ৰামধেনু, জোনকী, আবাহন, সফুৰা আদি আলোচনীৰ অৱদানৰ কথা আমি কোনোৱে অস্বীকাৰ কৰিব নোৱাৰোঁ। সেইদৰে গৰীয়সী, প্ৰান্তিক, সাতসৰী আদি আলোচনীৰ লগতে মহাবিদ্যালয় আলোচনীসমূহৰো বিশেষ গুৰুত্ব আছে।

ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশৰ আৰু তেওঁলোকক উৎসাহিত কৰাত মহাবিদ্যালয়ৰ আলোচনীখনৰ এক বিশেষ অৱদান আছে। আমাৰ আলোচনীৰ এইটো চতুবিংশতিতম সংখ্যা। শিক্ষানুষ্ঠান এখন যিমানেই ডাঙৰ নহওঁক কিয় তাত অভাৱ থাকিবই। এনে ক্ষেত্ৰত পাতিদৰং মহাবিদ্যালয়ো তাৰ ব্যক্তিক্ৰম নহয়। চতুবিংশতিম বছৰ অতিক্ৰম কৰা মহাবিদ্যালয়খনি ছাত্ৰ-ছাত্ৰীৰ অনুপাতে পুথিভৰালত পাঠ্যপুথিৰ যোগান, সংগীতৰ সা-সজুলি, খেলৰ সামগ্ৰী, উচিত ৰক্ষণা বেক্ষণ স্থায়ী প্ৰেক্ষাগৃহ, ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা আদিৰ অভাৱ আজিও পাতিদৰং মহাবিদ্যালয়ত আছে।

আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পিছৰে পৰা আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনক সুকীয়া ৰূপ দিয়াৰ ইচ্ছা মই মনতে পুহি ৰাখিছো। কিন্তু পৰিস্থিতিয়ে কিছুমান কাৰ্য্যত বাধা দিয়াৰ বাবে আমাৰ মহাবিদ্যালয়ৰো

কিছুমান অসুবিধাই আমাৰ আলোচনীখন ইয়াতকৈ আৰু বেছি সুকীয়াকৈ প্ৰকাশ কৰিবলৈ বৰ্তমান অসুবি
আছে। ইয়াৰ লগতে মহাবিদ্যালযৰ ছাত্ৰ-ছাত্ৰীয়ে বহুতো লিখনিৰে আলোচনীখন উজ্বলাবলৈ সহায় কৰিছে, কি
আলোচনীখনক আৰু সুকীয়াকৈ প্ৰকাশ কৰিবলৈ আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ আৰু লিখনিৰ প্ৰয়োজন।

মহাবিদ্যালয়ৰ দাপোন স্বৰূপ আলোচনীখন আৰু এটা হাৰমনিয়াম লগতে প্ৰাচীৰ-প্ৰত্ৰিকা দুখন সময়ম
ছাত্ৰ-ছাত্ৰীৰ আগত উলিয়াই দিবলৈ পাই মই নথৈ আনন্দিত হৈছো। কিন্তু দুখৰ বিষয় যে আমাৰ মহাবিদ্যাল
ছাত্ৰ-ছাত্ৰীসকলে প্ৰাচীৰ-প্ৰত্ৰিকা আৰু আলোচনীৰ বাবে যুগুত কৰা বেছিভাগ কবিতা, গল্পই পুৰ্বৰ প্ৰকাশ হু
প্ৰমানিত হৈছে। এই প্ৰতিবেদনৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৈ আশা থাকিল আগন্তুক সময়ত পুৰ্ব প্ৰকাশি
কবিতা গল্প নিদি নিজৰ প্ৰতিভাৰে সামৰ্থ অনুযায়ী কবিতা আদি লিখিবলৈ যত্ন কৰক।

কৃতজ্ঞতা স্বীকাৰ ২০১২-২০১৩ বৰ্ষৰ আলোচনী সম্পাদনা কৰা সুযোগ দিয়াৰ বাবে মোৰ বন্ধু-বান্ধৱী
মই হৃদয়ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ, লগতে আলোচনীখন সম্পাদনা কাৰ্যত মোক প্ৰতিটো পদক্ষেপ
সহায় সহযোগ আগবঢ়ো শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্মা, তত্বাৱধায়ক মহঃ মুকুটৰ ৰহমান লগতে শ্ৰী দুল
শৰ্মা আৰু সমুহ শিক্ষাগুৰু ছাৰ বাইদেউলৈ আন্তৰিক শুভেচ্ছা জনাইছো।

সদৌ শেষত আলোচনীখন আপোনালোকৰ হাতত তুলি দিবলৈ পাই আনন্দিত হোৱাৰ লগতে অনিচ্ছাকৃ
ভুলৰ বাবে কৰযোৰে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। পাতিদৰং মহাবিদ্যালয়ৰ সাহিত্য-সংস্কৃ
বাহক বাৰ্ষিক আলোচনীখন সাহিত্যৰ মন্দিৰত জীয়াই ইতিহাস হৈ থাকক, তাৰেই শুভকামনাৰে মই মোৰ প্ৰতিবে
সামৰনি মাৰিলো।

জয়তু পাতিদৰং মহাবিদ্যালয় ।

জয় আই অসম ।

শ্ৰদ্ধাৰে—

**শ্ৰী সোনাতন ডেকা**

সম্পাদক

আলোচনী বিভাগ

২০১২-২০১৩ বৰ্ষ

ছাত্ৰ একতা সভা

# তত্ত্বাবধায়কৰ দু-আষাৰ



জয়তু পাতিদৰং, মহাবিদ্যাল.

—মুকুটৰ ৰহমান

তত্ত্বাৱধায়ক

পাতিদৰং মহাবিদ্যালয় আলোচনী

ইং ২০১২-১৩ বৰ্ষ

*"Ultimately men are ruled not by those who belive in negation, hatred and violence; but by those who belive in wisdom and love, in inward and outward peace."*

যিসকল মহানুভৱৰ আশাসুধীয়া প্ৰচেষ্টাত কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ অন্তৰ্গত পাতিদৰং মৌজত তিদৰং মহাবিদ্যালয় নামেৰে এই অঞ্চলৰ আগশাৰীৰ উচ্চশিক্ষাৰ শিক্ষানুষ্ঠানখনৰ সৃষ্টি হৈছিল, সেইসকল দ্ধাস্পদ ব্যক্তিলৈ প্ৰতিবেদনৰ আৰম্ভণিতে গভীৰ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছোঁ। এইহেন আগশাৰীৰ শিক্ষানুষ্ঠান নৰ সহকৰী অধ্যাপক হিচাবে কাম কৰিবলৈ পাই সদয় গৌৰৱ অনুভৱ কৰি আহিছোঁ। ইং ২০১২-২০১৩ বৰ্ষৰ মাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ তত্ত্বাৱধায়কৰ দৰে গুৰুদায়িত্বলৈ মোৰ দু-আষাৰৰ পাতনি মেলিছোঁ।

শিক্ষাৰ উদ্দেশ্য হ'ল মানুহৰ শাৰীৰিক, মানসিক নৈতিক আৰু আধ্যাত্মিক উন্নতি সাধন। ইয়ে মানুহক অন্য ৰিত প্ৰাণীবোৰৰ মাজত শ্ৰেষ্ঠ প্ৰতিপন্ন কৰাত সদায় কৰিছে। কেৱল আনুষ্ঠানিক শিক্ষালৈয়েই নিজক শিক্ষিত । দাবী কৰিব নোৱাৰি। ইয়াক লাভ কৰা হয় মূলত ঃ অভিজ্ঞাতৰ পৰা ঠেকি, দেখি আৰু শিকি। শিক্ষা আহৰণৰ গ্ৰাম অনন্ত। গতিকে ছাত্ৰ-সমাজে আনুষ্ঠানিক শিক্ষাৰ লগতে নিজৰ অভিজ্ঞতাৰ পৰা পোৱা শিক্ষাৰ প্ৰতিও াগ হোৱা উচিত। যিহেতু শিক্ষা আহৰণৰ সংগ্ৰাম অনন্ত, গতিকে BA, M.A. পাছকৰিয়েই নিজৰ শিক্ষা শেষ ৱা বুলি ধৰি নলৈ গোটেই জীৱন জুৰি নিজকে শিক্ষা গ্ৰহণত ব্ৰতী কৰি ৰাখিব লাগে।

এখন শিক্ষানুষ্ঠানৰ বাৰ্ষিক আলোচনীখন সেইখন অনুষ্ঠানৰ দাপোন স্বৰূপ। এই দাপোনখন স্বচ্ছ কৰি খিবলৈ হ'লে তাত কৰ্মৰত কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট চেষ্টা কৰিব লাগিব। দাপোনখন

যিমানেই স্বচ্ছ হ'ব যিমানেই আনৰ ওচৰত তাৰ মূল্য বাঢ়িব। এইখনৰ জৰিয়তেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীে বিভিন্ন দিশত থকা নিজৰ প্ৰতিভা বিকাশৰ সুযোগ পায়। এখন উন্নত আলোচনী ছপা কৰি উলিয়াবলৈ এক শক পুঁজিৰ প্ৰয়োজন হয়। অপ্ৰদেশীকৃত মহাবিদ্যালয় হোৱা হেতুকে চৰকাৰৰ ফালৰ পৰা কোনো সহায় নাপাও বা অথবা আমাৰ মহাবিদ্যালয়ৰ আলোচনীৰ নামত থকা পুঁজি অতি সীমিত হোৱা বাবে এখন উন্নত মানৰ আলোচ ছপা কৰি উলিওৱাতো আমাৰ বাবে সম্ভৱ নহয়। তথাপিও সীমিত পুঁজি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষক কৰ্মচাৰী পৰা পোৱা লিখনিৰদ্বাৰা এই বৰ্ষৰ আলোচনীখন ছপা কৰি উলিয়াই পঢুৱৈ সমাজৰ হাতত তুলি দিবলৈ চে কৰিছোঁ। এই ছেগতে যিসকল ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক কৰ্মচাৰীয়ে এইবৰ্ষৰ অলোচনীখনলৈ বুলি লিখ আগবঢ়াইছে তেওঁলোকক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো আৰু তেওঁলোকৰ চেষ্টাই পূৰ্ণতা লাভ কৰ আশা কৰিছোঁ। অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো। আলোচনীখন ছপা কৰি উলিয়াওতে সহায় সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ শিক্ষক কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক তত্বাৱধায়ক হিচা মই ধন্যবাদ জ্ঞাপন কৰিছো।

আগন্তুক দিনবোৰত আমাৰ মহাবিদ্যালয়ৰ আলোচনীৰ নামত থকা পুঁজিৰ পৰিমান যদি বৃদ্ধি কৰিব প যায় আৰু ছাত্ৰ-ছাত্ৰীসকলে যদি অধিক উন্নতমানৰ লিখনিৰ যোগান ধৰিব পাৰে, তেন্তে এখন উচ্চমানবিশি আলোচনী প্ৰকাশ কৰি উলিয়াবলৈ আমি সক্ষম হম বুলি আশা ৰাখিছো।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়খনৰ লগতে ইয়াত কৰ্মৰত সমূহ শিক্ষক কৰ্মচাৰী আৰু অধ্যায় ছাত্ৰ-ছাত্ৰীৰ সৰ্ব্বাংগীন উন্নতি কামনা কৰি মোৰ লিখনিৰ সামৰণি মাতিছো।



# সম্পাদকলৈ প্ৰশ্ন

— শ্ৰীসংগীতা বৰুৱা

*পঞ্চম ষাণ্মাসিক*

প্ৰাচীন কালত মানুহ অজ্ঞানী (বধৰ) আছিল, কিন্তু আজিৰ দিনত মানুহবোৰ আধুনিক হৈছে, শিক্ষা-জ্ঞান অৰ্জন কৰিছে, তথাপিও দেশৰ বিশেষকৈ অসমৰ পৰিৱেশ ইমান লেতেৰা কিয় ?

আমি দেখিবলৈ পাওঁ, প্ৰতিটো মাদকদ্ৰব্যৰ পেকেটতে হওঁক বা গাড়ীতে হওঁক লিখা থাকে 'ধপাত শৰীৰৰ বাবে হানিকাৰক, No Smoking আদি। কিন্তু এইবিলাক দেখিও মানুহে মাদকদ্ৰব্যৰ সেৱন বন্ধ নকৰে কিয় ?

আমি সকলোৱে কানো যে, নাওঁৰ গুৰিয়াল যদি স্থিৰ নহয় তেন্তে বতাহে যেনেকৈ ইচ্ছা তেনেকৈ ঠেলিব পাৰিব; গতিকে আমাৰ মাতৃভূমিৰ ক্ষেত্ৰত কি বুলি ক'ব ?

মহাত্মা গান্ধীয়ে কৈছিল, ক'লা ধনেৰে লাখপতি হোৱাতকৈ বগা ধনেৰে দৰিদ্ৰ হোৱাই ভাল। এই ক্ষেত্ৰত আপোনাৰ মত কি ?

অনুপ্ৰেৰণা মানুহৰ কৰ্মৰ ৰাইস্বৰূপ। গতিকে যি ক্ষেত্ৰত আপোনাৰ সম্পাদিত আলোচনাত যিসকলৰ লেখনী অপ্ৰকাশিত হৈ ৰ'ল তেওঁলোকক আপুনি কিদৰে আগ্ৰহী কৰিব বা অনুপ্ৰেৰণা দিব ?

## সম্পাদকৰ উত্তৰ

শিক্ষা আৰু জ্ঞান দুয়োটা সদায় পৃথক। প্ৰাচীন কালৰ তুলনাত মানুহে আধুনিক হৈছে বা শিক্ষিত হৈছে যদিও প্ৰকৃত জ্ঞান আহৰণ কৰিব পৰা নাই। সেয়ে বৰ্তমান অসমৰ পৰিবেশ লেতেৰা, ঘৃননীয় হৈ পৰিছে। "কি কম কি কৰিব, যিজনকে কম সিয়ে ওলোটাই কৰিব"। আধুনিক যুগ, আভিজ্যত্যৰ প্ৰতীক, তেওঁবিলাক আনন্দৰ সেৱক গতিকে "কৈ কন্দাতকৈ নকৈ হঁহাই ভাল।

মাতৃভূমিৰ ক্ষেত্ৰতো ঠিক একে অৱস্থা। মাতৃভূমিৰ এই অৱস্থাই এক চাম মানুহক কোঙা, ক্ষুধাতুৰ কৰি পেলাইছে। যিটোৰ কাৰণে সেই চাম মানুহে খাব নাপায় ভুকিবলৈ আৰম্ভ কৰিছে।

আজি অহিংসাবাদী নেতাও নাই আৰু বগা ধনো নাই। আজি ঠিক বিপৰীত বগা ধনত জীৱনত ত্যাগতকৈ কলা ধনেৰে জীৱন সুখত কটোৱাই ভাল।

মহাবিদ্যালয়ৰ আলোচনী এখন ক্ষুদ্ৰ পৰিসৰৰ ভিতৰত সংগৃহীত আলোচনী। সেয়ে ইয়াত সমগ্ৰ লিখনী প্ৰকাশ নহ'ল তেওঁলোকক কোনো ক্ষোভ নকৰি তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাৰ বিকাশৰৰ্থে সাহিত্য চৰ্চা অটুত ৰাখিবলৈ আহ্বান জনালো।

# এটি মিঠা শব্দ 'মা'

— শ্ৰীঅনামিকা দাস
স্নাতক তৃতীয় বৰ্ষ

মা' সচাঁকৈয়ে পৃথিৱীৰ শব্দ বোৰৰ ভিতৰত শুৱলা আৰু সুমধুৰ শব্দ। এজন শিশুৱে যেতিয়া কলকলাৱ থম তাৰ মুখত 'মা' শব্দটোৱে বোধহয় উচ্চাৰিত হয়। সঁচাই 'মা' উচ্চাৰণত কিবা এটা মিঠা আমেজ আছে। মৰমত সকলো শিশুৱে মন-প্ৰাণ ভৰি পৰে। কেতিয়াবা সন্তানে দুষ্ট কৰিলে মাকে যেতিয়া খং কৰি গালি নাইবা চেকনীৰে কোবাই তেতিয়া মাকৰ ওপৰত সন্তানৰ অভিমান দুগুন বাঢ়ে। কিন্তু এই অভিমান বা খং খন্তেকীয়া। জন্মৰে পৰা এজন শিশু মাকৰ লগত ওতঃপ্ৰোত সম্পৰ্ক। এই সম্পৰ্ক সদায় চিৰযুগমীয়া। ছোৱালী বা ল'ৰাই মাকৰ লগত বন্ধুৰ দৰে মুকলীমুৰীয়াকৈ সকলো কথা ব্যক্ত কৰিব পাৰে, কিন্তু দেউতাকৰ কবলৈ সংকোচ কৰে নাইবা ভয় কৰে।

কোনো এজন মনিষীয়ে কৈছিল 'এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'লে এটা পৰিয়ালক শিক্ষিত কৰি '। মাতৃত সুখৰ পৰা সন্তানে বাল্যকালৰ পৰা শিক্ষা গ্ৰহণ কৰে। মহান দাৰ্শনিক হেনৰী বাৰ্টে কৈছে— হৃদয়েই সন্তানৰ শ্ৰেণীকোঠা। সন্তানৰ সকলো দিশতে মাতৃৰ ভূমিকা অগ্ৰণী। তাৰ ভিতৰত চাফ-চিকুণ, খোৱা লোৱা, পঢ়া শুনাত দৃষ্টি ৰখা। ইয়াৰ উপৰিও স্কুল যাবৰ সময়ত টিফিন সাজু কৰা স্কুলৰ পোছাক কৰা আদি বিভিন্ন ভেত্ৰত মাকে এটি শিশুৰ বিভিন্ন ধৰণেৰে যতন লয়।

মা মই স্কুললৈ যাওঁ, মা মোক ভাত দিয়া আদি ভিন ভিন বাক্যৰে যেন সদায় উঠোতে বহোতে সকলোতে প্ৰয়োজন। মাক নহলে যেন এক মিনিটো চলিব নোৱাৰে । আনক কবলৈ নাযাও বিশেষকৈ মোৰ ক্ষেত্ৰত মোৰ একেবাৰে ভাল নালাগে, ঘৰখন একেবাৰে উকা উকা লাগে। কলেজৰ পৰা আহি ঘৰ পায়েই 'মা' দিওঁ। মাৰ মাত শুনিলেই মনটো পুলকিত হয়। সকলো দুখ কষ্ট যেন নিমিষতে আতৰি পলাই। মায়ে ৰ পৰশৰ ভাত ব্যঞ্জন সচাকৈয়ে জুতি লগা। মাক কেন্দ্ৰ কৰিয়ে যেন ঘৰখন সজীব হৈ থাকে।

ন্মদাত্ৰীয়ে হৈছে 'মা' অৰ্থাৎ মাতৃ। এই মা শব্দৰ উপৰিও অন্য কোনোৱে আই, বৌটি বুলি মাতে।

জনী ছোৱালী নিজৰ দন্মস্থান লগতে মাকৰ মৰমৰ পৰা আতৰি গৈ আন এখন ঘৰ আপোন ভাৱে লি লব লগা হয় আৰু অন্য এজনী নাৰীক মাতৃৰ স্থান দিব লগা হয়। সেইজনীকে সাহুমা বুলি সম্বোধন

কৰে। আনহাতে সৰু অৱস্থাত যিটো শিশুৰ জন্ম হোৱাৰ পিছতে মাকৰ মৃত্যু হয় আৰু দেউতাকে পুনৰ বিবাহ ক তেতিয়া দ্বিতীয় পত্নীগৰাকীয়ে শিশুটিক তুলি-তালি ডাঙৰ দীঘল কৰাত সহায় কৰে তেতিয়া মাহীমাকৰ ম দিয়া হয়।

এজনী মাতৃয়ে মৰমত নিজ সন্তানক কিমান যে আদৰ নকৰে মৰমত কিমান নামেৰে মাতিব সোন ধন ইত্যাদি। অন্য কোনো লোকে নিজৰ সন্তানক বেয়া বুলি কলেও মাকে কেতিয়াও বেয়া বুলি নকয়। মাকৰ ম নিজৰ সন্তান সদায় সোন।

যুগৰ পৰিবৰ্তনৰ লগতে মানুহৰ মনৰো পৰিবৰ্তন ঘটিছে। সেইদৰে মিঠা মিঠা লগা ওঁঠৰ অসমীয়া ভাষা যেন হেৰাই যাবলৈ ধৰিছে। আমি অসমীয়া হৈয়ো নিজ মাতৃভাষাক বিসৰ্জন দি অন্য বিদেশী ভাষাক আকো লৈছো। সচাঁকৈয়ে ই বৰ পৰিতাপৰ কথা। শেষত মৰমৰ ৰহুণ থকা আনন্দ চন্দ্ৰ আগৰৱালাৰ কবিতাটোৰ কেইশা বৰকৈ মনত পৰিছে।

কোনে মোক তুলি তালি কৰিলে ডাঙৰ,  
মউসনা মিঠা মাতে পাহৰি ভাগৰ।  
কৰিছিল স্নেহ দুগালত চুমা খাই,  
তেৱেঁ মোৰ পূজনীয়া মৰমৰ আই।  
চেনেহৰ চকুপানী ধাৰেৰে বোৱাই,  
কোনে মোক ৰাখিছিল বুকুত শুৱাই।  
টোপনিত লালকাল মুখখনি চাই,  
তেৱেঁ মোৰ পূজনীয় মৰমৰ আই।

# সময়

— বৰ্ণালী দাস
স্নাতক প্ৰথম বৰ্ষ

সময় গতিশীল। সময়ক নৈৰ সোঁতৰ লগত তুলনা কৰা হয়। নৈ এখনে যেনেদৰে কোনো বাধা বিঘিনি মানি কেৱল আগবাঢ়ি গৈ থাকে, ঠিক তেনেদৰে সময়েও কাৰো বাবে নৰয়। সময়ক ধৰি ৰাখিব নোৱাৰি। পাৰ যোৱা সময়ক আমি কেতিয়াও ওভতাই আনিব নোৱাৰো। গতিকে সময়ৰ কাম সময় মতে কৰা উচিত। সময় মূল্য ধন। সময়ক যদি আমি হাতৰ মুঠিত ধৰি ৰাখিব পাৰিলোহেতেন, এইটো সকলোৰে অনুভৱ হয়; কিন্তু ইটো কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। সময়ৰ সৈতে যিয়ে খোজ মিলাই চলিব পাৰে তেওঁহে জীৱনত সফল হ'ব ৰে। জীৱনত সফলতা নাভ কৰিবলৈ হ'লে দৈনন্দিন কৰ্তব্য যেতিয়াই যি কাম সেয়া সম্পূৰ্ণ নিয়াৰি কৈ কৰি ব লাগে।

সময়ৰ পৰিৱৰ্তন হৈছে। এই যে সময়ৰ পৰিৱৰ্তন ইয়ে মানুহৰ মনলৈ নতুনৰ সৃষ্টিৰ হাবিয়াস কঢ়িয়াই নে। এই হাবিয়াসে মানুহক ক্ৰমে আগবঢ়াই লৈ যায় অন্য এখন জোনাকী পৃথিৱীৰ মাজলৈ যিখন পৃথিৱীৰ দিশ উন্নতিৰ পোহৰত জিলিকি থাকে। গতিকে আমি সকলোৱে সময়ৰ সদব্যৱহাৰ কৰিব লাগে। বৰ্তমান য়ৰ আগমূহূৰ্তলৈও যদি আমি সময়ৰ সদ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া নাছিলো কিন্তু এতিয়াৰ পৰা আমি য়ৰ সদব্যৱহাৰ কৰি সময়ৰ সৈতে খোজ মিলাই এখন ৰূপান্তৰৰ পৃথিৱীলৈ আগুৱাই যোৱা উচিত।

এতিয়া যুগৰ পৰিৱৰ্তন হৈছে। সমাজৰ চতুৰ্দিশ ৰূপান্তৰৰ পোহৰত উজ্জ্বলি উঠিছে। সময়ৰ পৰিৱৰ্তনে নৰ সৃষ্টি কৰে। নতুনৰ সৃষ্টিত কিন্তু পুৰণি হেৰাই নাযায় মাত্ৰ পুৰণিৰ ৰূপান্তৰহে হয়। কাৰণ পুৰণিৰ ভেটিতে য় নতুনৰ সৃষ্টি। সময়ৰ পৰিৱৰ্তন আৰু নতুনৰ সৃষ্টিয়ে সকলো দিশতে ৰূপান্তৰ ঘটাইছে। আগতে মানুহে চৈ গাড়ীত উঠি গৈছিল। কিন্তু বৰ্তমান বিভিন্ন ৰকমৰ যান-বাহন হ'ল। যাৰ ফলত আমি আতি কম সময়ৰ ৰতে বহুত দূৰ অতিক্ৰম কৰিব পাৰো। বৰ্তমান যুগটোক কোনোৱে বিজ্ঞানৰ যুগ, কোনোৱে যান্ত্ৰিক যুগ, কী আন কোনোৱে প্লাষ্টিক যুগ বুলিব বিছাৰিছে। প্ৰকৃততে যিয়ে যি নামকৰণে নকৰক কিয় ইয়াৰ মূলতে বিজ্ঞান। মানুহ অনুসন্ধিৎসু প্ৰাণী। মানুহৰ এটি সহজাত প্ৰবৃত্তি হ'ল মানুহ বৰ্তমান যি অৱস্থাত আছে তাতকৈ ত অৱস্থাৰ চিন্তা কৰিছে যি জানিছে তাতকৈ অধিক জানিব বিচাৰে, যি পাইছে তাতে সন্তুষ্ট নাথাকি আৰু ক পাব বিচাৰে। এই প্ৰবৃত্তি আৰু অনুসন্ধিৎসু মনেই মানুহক লৈ গৈছে বিজ্ঞানৰ ফালে, নতুন আৱিস্কাৰৰ পী। আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্য উদঘাটনৰ ব্যৱস্থাটোৱেই হ'ল বিজ্ঞান। বিজ্ঞানৰ আৱিস্কাৰ সমূহে মানৱ জীৱনলৈ চৰ্যজনক ভাৱে কঢ়িয়াই আনিলে সুখ আৰু স্বাচ্ছন্দ্য। বিজুলী পৃথিৱীৰ এক চমক প্ৰদ আৰু অতি প্ৰয়োজনীয় স্কাৰ। সাধৰণ পোহৰকে ভিতৰ কৰি সকলো প্ৰকাৰৰ যান-বাহন, কল-কাৰখানা আজি বিজুলী শক্তিৰ দ্বাৰা

পৰিচালিত হ'ব লাগিছে। দৈনন্দিন জীৱনত এনে এটা মূহুৰ্ত নাই যি বিজ্ঞানৰ দ্বাৰা পৰিচলিত হোৱা নাই। আজি যুগ বিজ্ঞানৰ যুগ, আৰু প্ৰতিযোগীতাৰ যুগ। বৰ্তমান সময়ৰ পৃথিৱীখন সকলো ক্ষেত্ৰতে বহুগুণে আগবঢ় বিজ্ঞানে আজি বিশ্বব্ৰহ্মাণ্ডকে সৰু কৰি পেলাইছে। আধুনিক যাতায়াত ব্যৱস্থাই দুৰ-দুৰনি ঠাইতো তৎমুহূৰ্ত উপস্থিত হোৱাৰ সুবিধা কৰি দিছে। মিনিটে মিনিটে দেশ বিদেশৰ খা-খবৰ পোৱা ফোন, ডাক ব্যৱস্থা, ই-মেই আদি বিজ্ঞানৰ অদ্ভুতপূৰ্ব আবিস্কাৰ মূহুৰ্তৰ খবৰ মূহুৰ্ততে বাতৰি প্ৰচাৰ কৰিব পাৰ, ছপাযন্ত্ৰ, কম্পিউটাৰ আ অত্যাধুনিক যন্ত্ৰপাতি, দুৰদৰ্শন, ৰেডিঅ, ভিডিঅ, ভি.চি ডি আৰু টেপ আদিও মানুহলৈ বিজ্ঞানৰে উপহাৰ। মুঠ পৃথিৱীখনত দিনে দিনে উন্নতিৰ পথলৈ অগ্ৰসৰ হ'ব থৰিছে সেইটো সঁচা। যিহেতু আমি নৱপ্ৰজন্ম, সেয়ে আকোঁৰ -গোজ হৈ পূৰণি কথাটোতে লাগি নাথাকি নতুনক আদৰি, নতুন কথা নতুন সিদ্ধান্ত গ্ৰহণ কৰি ব্যা আৰু সমাজকো উন্নতিৰ জখলাৰে আগুৱাই লৈ যোৱা উচিত। আমিয়ে যদি বৰ্তমান; সময়ৰ সৈতে খোজ খোজ মিলাই আগুৱাই যাব নোৱাৰো তেনেহ'লে আমি আমাৰ ভৱিষ্যৎ প্ৰজন্মক কি শিকাম।

গতিকে "হে দেশৰ ধৰনীস্বৰূপ যুৱপ্ৰজন্ম সময়ক আওঁকান নকৰি আগুৱাই আহা আমি সকলোৰে হাত হাত ধৰি সময়ৰ সৈতে খোজ মিলাই দেশখনৰ লগতে পৃথিৱীখন উন্নতিৰ পথত আগবঢ়াই নিবলৈ যত্ন হওঁহক।



# ষড়যন্ত্ৰৰ ফল নেকি নাৰী নিৰ্যাতন?

— শ্ৰী চিমি দেৱী
স্নাতক ১ম বৰ্ষ

সৌসিদিনালৈকে অসমৰ জ্বলন্ত সমস্যাবোৰৰ ভিতৰত ধৰা হোৱা নাছিল অন্নতঃ যৌতুকৰ ববে বোৱৰী অথবা নাৰী নিৰ্যাতনৰ দৰে ঘটনাক। কিন্তু, আজি কেইবছৰ মান আগৰ পৰা এই সমস্যাটোৱে অসমত অতি বহ ৰূপত ধৰা দিছে। যাৰ ফলত একে একোখন সুখৰ সংসাৰ ভাঙি থান-বান হৈছে। দেখি-শুনি যিমানদূৰ যায়, সেই অনুযয়ী অসমৰ মানুহ এই ক্ষেত্ৰত যথেষ্ট আপোচকামী, সহনশীল অসমীয় সমাজৰ ছোৱলী বিয়া ৰ সময়ৰ লগত মেটমৰা যৌতুকৰ সামগ্ৰী য়িাৰ ধৰা-বন্ধা নিয়ম দেখা নাযায়। কিন্তু সম্প্ৰতি পূৰ্বতে হিন্দী ৰ গ্ৰাসত থকা প্ৰাণঘাতী যৌতুক প্ৰথা অসমতো সোমালহি। দূৰদৰ্শন আদিত হিন্দী বলয়ৰ মাজত প্ৰচলিত সমস্যাক লৈ প্ৰদৰ্শিত হোৱ ধাৰাবাহিকবোৰৰ আগ্ৰাসনে এনে সমস্যা অসমলৈ আমদানি কৰা বুলি ক'ব পৰা। আনহাতে উদাৰতাবাদী অসমীয়াই আজিকলি আন্তঃৰাজ্যিক পৰ্যায়ত নিজ সন্তানৰ বিবাহ আদিক বৈধতা ৰ ফলতে এনে সমস্যাই গা কৰি উঠা বুলি ভবাৰ থল আছে।

আজি অসমতো কিছুবছৰৰ পৰা আমি নাৰী নিৰ্যাতনৰ বাতৰি সংবাদ মাধ্যমত অহৰহ পাই আহিছো। বোৰ বাতৰি অনুসৰি নাৰী এগৰাকীক এখন ঘৰলৈ বিয়া হৈ যোৱা, পিছত শহুৰ, শাহু, ননদ, দেওৰ আৰু কিছু ত স্বামীয়ে যৌতুকৰ বাবে ককৰ্থনা কৰিবলৈ লয় আৰু এই সম্পৰ্কত নাৰীগৰাকীয়ে প্ৰতি মুহুৰ্তৰ খবৰ লৈ মাকৰ ঘৰলৈ পঠিয়াই থাকে। এনেদৰে জানি থকাৰ পিছত স্বাভাৱিকতেই তেওঁৰ স্বামী গৃহৰ প্ৰতি মাতৃগৃহৰ অনাদৰৰ ভাব আহি পৰে। অৱশ্যে নিজে নেদেখাকৈ ছোৱালীজনীৰ কথাৰ ওপৰত মাত্ৰ বিশ্বাস কৰি থাকিলে তৃপক্ষৰ কেতিয়াবা ভূল বুজাবুজিৰ চিকাৰ নহয়, তেনে নহয়।

আনহাতে কিছুমানৰ ক্ষেত্ৰত কিছুমান এনেকুৱা হয়গৈ যে কিবা মানসিক বিকাৰত মহিলা এগৰাকীয়ে হত্যা কৰিলে অথবা কিবা দুৰাৰোগ্য বেমাৰত তেওঁৰ মৃত্যু হ'ল। ইয়াৰ পিছত সেই মৃত্যুক ছোৱালী পক্ষৰ ক পৰিকল্পিতভাৱে যৌতুকৰ বাবে স্বামীগৃহৰ লোকে সংঘটিত কৰা হত্যাকাণ্ড বুলি আৰক্ষীক লিখিত যোগসহ গোচৰ দিয়ে। আনকি সংবাদ-মাধ্যমতো ঠিক একেদৰেই অৱগত কৰায় তেওঁলোকো ফলত ঘটনাটোক বিভিন্ন হৈ চৈ হয় আৰু তাৰ পিছত গ্ৰেপ্তাৰ, আইন, আদালত, মোকদৰ্মা আদি বিভিন্ন প্ৰক্ৰিয়া। ইয়াৰ লগে

লগে আজীৱন প্ৰীতিৰ বান্ধোনেৰে বান্ধ খাই থকাৰ প্ৰতিশ্ৰুতিৰে মিতিৰ হোৱা দুটা পৰিয়ালৰ সম্পৰ্ক ছিন্ন-ভি হৈ যায়।

বহুক্ষেত্ৰত, খবৰ কাকত, ইলেকট্ৰনিক মাধ্যমৰ এনে বাতৰিবোৰৰ পৰা বুজা যায় যে যৌতুকজনীত হ নিৰ্যাতন অথবা সাধৰণ নাৰী নিৰ্যাতন অসমত এটা সমস্যা হৈ দেখা দিছে যদিও তাৰ মাজতে কিছু বিভ্ৰান্তি ঘটনাও সংঘটিত নোহোৱা নহয়। খবৰ বিক্ৰী কৰাসকলে এনে ঘটনাৰ বাতৰি পৰিবেশন কৰাৰ সময়ত নিৰ্যাতি নাৰী গৰাকীৰ মাতৃপক্ষৰ মন্তব্যক অধিক গুৰুত্ব প্ৰদান কৰি স্বামীপক্ষৰ প্ৰতি পক্ষপাতিত্ব কৰে। এনে হো ফলত বহু সৎ স্বামী পৰয়ালে অযথা মানসিক হাৰাশাস্তিৰ সন্মুখীন হোৱা দেখা গৈছে। বহুক্ষেত্ৰত বিশে ঘৰুৱা আনুষ্ঠানিকতাৰ মাজেৰে নহৈ প্ৰেমৰ সম্পৰ্কৰে হোৱা বিবাহৰ ক্ষেত্ৰত প্ৰায়েই পাত্ৰ-পাত্ৰী উভয়েৰে পৰিয় মাজত অসন্তোষৰ ভাব এটা ৰৈ যায়। কিছু ক্ষেত্ৰত এই সন্তোষেই বহু তিক্ততাৰো সৃষ্টি কৰা দেখা যায়। অ পূৰ্ণভাৱে এই তিক্ততাপূৰ্ণ সম্পৰ্ক অব্যাহত ৰখাৰ ফলত কেতিয়াবা কন্যা পক্ষই প্ৰতিপক্ষৰ বিৰুদ্ধে সৰু ঘৰুৱা কন্দল আদিকো নাৰী নিৰ্যাতন ৰূপ দিয়াৰ অপচেষ্টা কৰা দেখা যায়। আমি নিশ্চিত নহঁও যদিওঁ কব প যে যদিহে কোনো দুষ্ট পক্ষই এই আইনক ষড়যন্ত্ৰৰ অংশ হিচাপে ব্যৱহাৰ কৰিবলৈ লয়, তেন্তে সমাজৰ এটা প নিৰীহ হোৱা সত্ত্বেও অযথা হাৰাশাস্তি ভোগ কৰিব।

শেষত আমি এই কথাকে ক'ব বিচাৰিম যে, অসমীয়া সমাজত ছোৱালী বিয়াৰ দিয়াৰ সময়ত পিতৃ-মা লগত দি পঠিওৱা দৈনন্দিক জীৱন প্ৰনালীত প্ৰয়োজন হোৱা সামান্য সম্পদক যৌতুক হিচাপে গণ্য ক নালাগিব আৰু দৰাপক্ষও এনে সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল নহৈ এনে বিষয়বোৰত গুৰুত্ব নিদি বৰং ছোৱালীজ গুণৰ প্ৰতিহে গুৰুত্ব দি সংসাৰ সুখময় কৰি তোলাত সহযোগ কৰিব লাগিব। তাৰোপৰি মাতৃ গৃহত স্বাধীনচেতীয়া হৈ চলা উচ্চকাংক্ষী মনোভাবে স্বামীগৃহৰ আদৰ-কায়দাত যাতে বিৰূপ প্ৰভাৱ পেলোৱা স্বামীগৃহে অনুভৱ কৰিব নোৱাৰে, তাৰ প্ৰতি আজিৰ নৱ প্ৰজন্মৰ নাৰীয়ে লক্ষ্য কৰিব লাগিব। কিয়নো এদি এখন ঘৰত সম্পূৰ্ণ স্বাধীনতা বিচৰাতো নতুন পৰিয়ালটোৰ বাবে গ্ৰহণযোগ্য নহ'বও পাৰে সাধৰণতে এইটো স্বাভাৱিক। সদৌ শেষত নৱ প্ৰজন্মৰ নাৰীয়ে সদৰ্থক ভাবে নাৰী নিৰ্যাতনৰ বিষয়টোক কিছু পৰিমানে প্ৰত কৰিব পাৰিব বুলি আশা পোষণ কৰিছো।

# প্ৰয়াস

শ্ৰীসুনীল কলিতা
স্নাতক ৩য় বৰ্ষ

গাঁৱলীয়া অঞ্চলত জন্ম গ্ৰহণ কৰা সমৰ বৰ্মন এজন এতিয়া ডেকা, সুস্থ যুৱক। শ্ৰীদেৱধৰ বৰ্মন আৰু নী বৰ্মনৰ সান্নিদ্ধত জন্ম লোৱা পুত্ৰ দুজনৰ ভিতৰত সমৰ বৰ্মন ডাঙৰ আৰু নীল বৰ্মন সৰু। গৱৰ পৰিবেশত শুনা কৰি ডাঙৰ দীঘল হৈ দুয়োজন এতিয়া জীৱন সংগ্ৰামত নিজকে নিয়োগ কৰি একো একো জন সংগ্ৰামী পৰিচয় দিব পৰা হৈছে।

ঘৰৰ পৰিয়লৰ খৰচৰৰ মাত্ৰা বৃদ্ধি হোৱা অনুভৱ কৰি সমৰে চহৰলৈ গৈ ধন ঘটাৰ প্ৰয়াস কৰি ঘৰত াচনা কৰিলে। ঘৰৰ পৰিয়ালেও সমৰৰ প্ৰস্তাৱত সন্মতি জনাই তাক চহৰলৈ যাবলৈ অনুমিতি দিলে। এদিন চহৰত গৈ তাৰ কৰ্মস্থান আৰু থকাৰ বাবে এটা ঘৰৰ আয়োজন কৰিলে।

এমাহ মানৰ মুৰত সমৰে ঘৰত আহি পৰিয়ালৰ লগত কথা পাতি থাকোতে তাৰ বিয়াৰ কথা আলোচনা তেতিয়া সমৰে মনত সাহস গোটাই কলে যে ঃ মই গাৱৰ সিটো মুৰৰ জিনি বৰ্মন নামৰ ছোৱালী এজনীক পাওঁ। সিহঁত অতি দুখীয় সেয়ে মই তাইকে বিয়া কৰাম। সমৰৰ দেউতাকে এই বিয়াত প্ৰথমে সন্মতি দিয়া কাৰণ সিহঁতকৈ দুখীয়া পৰিয়ালৰ লগত সম্পৰ্ক কৰিবলৈ সমৰৰ দেউতাক ইচ্ছা নাছিল। কিন্তু সমৰৰ আশাত চেঁচা পানী নেপেলাই সিহঁতৰ বিয়া পাতি দিলে। সমৰে প্ৰতি সপ্তাহত দুদিন ঘৰত আহে আৰু বকী ন চহৰতে থাকে। এনেকৈ সমৰৰ সাংসাৰিক জীৱনৰ পাতনি মেলিলে।

জিনিৰ গৰ্ভত সমৰৰ মৰমৰ প্ৰতীক স্বৰূপে এটি পুত্ৰ সন্তানৰ জন্ম হ'ল। সমৰ আৰু জিনিৰ মৰমৰ টিক্লুটোৰ াহণ ৰাখিলে। ৰোহন লাহে লাহে ডাঙৰ হৈ আহিল। সমৰ আৰু জিনিৰ লগতে পৰিয়ালটোৱেওঁ আনন্দৰে াৰ পাৰ কৰিবলৈ ধৰিলে।

এদিন হঠাতে দুৰ্ঘটনাত সমৰ এই জগতৰ পৰা বিদায় ললে। ৰোহনৰ বয়স তেতিয়া প্ৰায় ৫ বছৰ। যেতিয়া ৰোহনৰ লগতে পৰিয়ালৰ পৰা বিদায় লয় সমৰ ঢুকুৱাৰ পৰা লাহে লাহে জিনি আৰু ৰোহনক পৰিয়ালটোৱে নাপোৱা হৈ আহিল। জিনিৰ ব্যক্তিগত সামগ্ৰীৰ প্ৰয়োজন হলে পৰিয়ালৰ আগত প্ৰকাশ কৰে। কিন্তু তাই দিনে নাপাই আনকি ৰোহনক খুৱাবব বাবে প্ৰতিখন বিস্কুটৰ হিচাপ পৰিয়ালে ৰাখিছিল।

জিনিয়ে ৰোহনক ভালদৰে লালন পালন কৰিবলৈ প্ৰয়াস কৰিলে। যাতে ৰোহনে কোনো সামগ্ৰীৰ অভ
পিতৃহীনতাৰ কাৰণে অনুভৱ নকৰে। সমৰৰ মৃত্যুৰ দুবছৰ পিছত অৰ্থাৎ ৰহোনৰ বয়স ৭ বছৰ হোৱাৰ লগে
জিনিয়ে ৰোহনক লগত লৈ পৰিয়াল এৰি সমৰে কাম কৰা অফিচত গ'ল। অফিচত আলোচনা কৰি জি
তাইৰ শিক্ষাৰ যোগ্যতা অনুযায়ী এটা কাম কৰাৰ আৰম্ভ কৰিলে। ৰোহনক এখন ভাল স্কুলত নামভৰ্ত্তি কৰা
ৰোহন সেই স্কুলৰ অন্য ছাত্ৰ-ছাত্ৰীতকৈ ভাল নম্বৰ আদায় কৰিব পাৰিছিল। সেয়ে ৰোহন আৰু মাক অতি
দিনবোৰ কটাই আছিল।

এদিন হাঠাতে ৰোহনহত থকা ঘৰৰ মালিকে সিহঁতক ঘৰ খালী কৰিবলৈ আদেশ দিলে। জিনি এ
বিধৱা মহিলা আৰু ৰোহনো সৰু মাত্ৰ তেতিয়া ১৩ বছৰ বয়স। সেয়ে ৰোহন হওঁক কোনো আন ঘৰৰ মালিকে
ভাড়াত দিব নিবিছাৰে। উপায় নাপায় এদিন জিনিয়ে এজনী বান্ধৱী মামনীৰ ওচৰ পালে।

মামনীৰ ঘৰত আলহী এজন বহি আছিল। জিনিয়ে বিপদৰ উপায় বিচাৰি নাপায় আলহী জন বহি থাকে
মামনীৰ আগত তাইৰ বিপদৰ সকলো কথা প্ৰকাশ কৰিলে। মামনীয়ে একো উত্তৰ দিবলৈ নাপাওঁতে আ
চিন্তন চৌধুৰীয়ে জিনিক সহায় কৰো বুলি কলে। জিনি আৰু ৰোহনে চিন্দনৰ লগত ভালদৰে চিনাকী হৈ ম
আৰু চিন্তনক ধন্যবাদ দিলে। চিন্তনে ঘৰ এটা ভাড়াত লৈ তাৰ নিজৰ নামত ৰেজিষ্টাৰ কৰিলে আৰু সেইঘ
ৰোহন হতক দি সহায় কৰিলে। এনেদৰে ৰোহনহতৰ ক্ষুদ্ৰ পৰিয়ালৰ লগত চিন্তনৰ ঘনিষ্টতা বাঢ়িল।

চিন্তন এজন সংগীত শিক্ষক, সভ্য আৰু সন্মানীয় ব্যক্তি হিচাপে পৰিচয় আছে। ৰোহনে চিন্তনৰ ও
সংগীতৰ শিক্ষা লবলৈ আৰম্ভ কৰিলে। ৰোহন আৰু চিন্তনৰ লগত ৰোহনৰ গুৰু শিষ্যৰ ওপৰিও ভাল বন্ধুত্ব
ৰোহনৰ বয়স হ'ল ১৩ বছৰ আৰু চিন্তনৰ বয়স ৩৮ বছৰ বয়স ব্যৱধান অধিক হলেওঁ কিন্তু সিহঁত দুয়োৰে ব
সম্পৰ্ক মধুৰ। চিন্তনৰ পৰিয়াল বুলিবলৈ কোনো নাই সেয়ে চিন্তনে ৰোহনক নিজৰ সন্তানৰ দৰে মৰম কৰি
ৰোহনৰ লগতে মাক জিনিকো যথেষ্ট ভাল পাইছিল চিন্তনে ৰোহনৰ নিজৰ সন্তান আৰু জিনিৰ উকা ক
চিন্তনৰ নামত সেন্দুৰ দিব বিচাৰিছিল। কিন্তু জিনি এই কথা চিন্তনে প্ৰকাশ কৰিবৰ সাহস গোটাব পৰা নাছি

এদিন চিন্তনে মামনীৰ ঘৰত গৈ চিন্তনৰ মনৰ কথা কলে আৰু চিন্তনৰ হৈ জিনিৰ আগত মামনীকে
প্ৰস্তাৱ বিদলৈ দিলে। মামনীয়ে জিনিৰ ঘৰত গৈ চিন্তনে দিয়া প্ৰস্তাৱ জিনিৰ আগত দাঙি ধৰিলে। তে
জিনিয়ে মামনীৰ আগত উত্তৰ দিলে যে ঃ এই জীৱনত এক মাত্ৰ পুত্ৰ ৰোহনৰ ভৱিষ্যতৰ বাহিৰে আৰু
কথাই মই ভাবিব নোৱাৰো। এই প্ৰস্তাৱ যাতে মামনীয়ে দুনাই নানে তাৰ কাৰণে জিনিয়ে মামনীক অ
জনালে। এই সকলো কথা ৰোহনে আৰৰ পৰা শুনি আছিল। ৰোহনে বহুদিন প্ৰত্যেক্ষ কৰিছিল যে— দে
অনুপস্থিতিত মাকে সমৰৰ ফটো খনি চাই চাই চকুপানী টুকি থাকে।

ৰোহন এতিয়া প্ৰায় জনা বুজা এজন ল'ৰা কাৰণ দশম শ্ৰেণীৰ হাইস্কুলীয় শিক্ষান্ত পৰিক্ষা দিব।

নে মাকৰ দুখ অনুভৱ কৰিব পৰা হৈছে। ৰোহনৰ আগতকৈ পঢ়াৰ প্ৰতি আগ্ৰহ কমি আহিছে। সেয়ে ৰোহনৰ ক জনাবৰ বাবে স্কুলৰ অধ্যক্ষই জিনিক ফোন কৰি মাতি পঠিয়াইছিল। কিন্তু জিনিয়ে ৰোহনৰ ব্যৰ্থতাৰ খবৰ া স্কুলত থাবৰ সময় নাপালে কাৰণ তেওঁ অফিচৰ কামত ব্যস্ত হৈ আছিল। লাহে লাহে ৰোহন ছাত্ৰ জীৱনত ব্যৰ্থ হৈছিল। আনহাতে চিন্তনে জিনিক বিয়াৰ প্ৰস্তাৱ দিয়াৰ আগত জিনি লগত চিন্তনৰ এক যি আত্মীয়তা সম্পৰ্ক আছিল তাতো ব্যাঘাত হৈছিল। কাৰণ চিন্তনে জিনিক দিয়া বিয়াৰ প্ৰস্তাৱৰ কথা তেওঁৰ সহ্য হোৱা । ৰোহনে সদায় টিউচনত যাওঁ বুলি মাকৰ আগেৰে ঘৰৰ পৰা ওলাই যায়। কিন্তু ৰোহনে টিউচনত যোৱাৰ তে মাক আৰু বন্ধু সুলভ গুৰুৰ মাজত ব্যঘাত হোৱা সম্পৰ্কক পুনৰ আৰম্ভ কৰিবলৈ চিন্তনৰ ওচৰত সংগীত লৈ গৈছিল।

এদিন প্ৰায় ৪ বছৰৰ মুৰত ৰোহনৰ খবৰ লবলৈ আহি খুড়াকে গম পালে যে ৰোহন স্কুলৰ ভাল ছাত্ৰ । কিন্তু এতিয়া ৰোহনৰ পঢ়া-শুনাত গুৰুত্ব কমি গৈছে। ৰোহনৰ ব্যৰ্থতাৰ কথা খুড়াক নীল বৰ্মনে ঘৰত গৈ ৰ আইতাক ককাকৰ আগত প্ৰকাশ কৰিলে। আন এদিন ৰোহনৰ গাৰৰ পৰিয়ালটোৱে অৰ্থাৎ ককা, আইতা খুড়াকে ৰোহনক গাৱঁলৈ নিবলৈ আহিল। ৰোহনৰ মাক জিনিয়ে নিজৰ পুত্ৰক ওচৰৰ পৰা কোনো পধ্যে নিদিওঁ বুলি কলে। অৱশেষত পৰিয়ালৰ এই বিচাৰ আদালতৰ মজিয়া পালেগৈ। আদালতে দেৱধৰ অৰ্থাৎ ৰোহনৰ ককাকক প্ৰশ্ন কৰিলে যে ৰোহনক গাৱঁলৈ নিবলৈ অহাৰ উদ্দেশ্য কি? লগে লগে দেৱধৰ আদালতৰ বিচাৰকক উত্তৰ দিলে যে ৰোহনৰ দায়িত্ব পালন কৰাত মাক অৰ্থাৎ জিনি বৰ্মন ব্যৰ্থ হৈছে। সেয়ে ৰ ভৱিষ্যতৰ কথা চিন্তা কৰি ৰোহনৰ আমি নিবলৈ আহিছো। তাৰ পিছত বিচাৰকে জিনিক প্ৰশ্ন কৰিলে যে নিজৰ পুত্ৰক লালন-পালন কৰোতে তুমি কি কষ্ট পাইছা? যাৰ বাবে মাকৰ ওচৰত পৰা পুত্ৰক ককা কে লালন-পালন কৰিবলৈ নিব আহিছে। জিনিয়ে তেতিয়া উত্তৰ দিছিল যে— মই আজি প্ৰায় ১৫ বছৰ সকলো দ্বায়িত্ব পালন কৰি আহিছো কিন্তু ক'তো অকণো কষ্ট অনুভৱ হোৱা নাই আৰু কেতিয়াওঁ নহয়। ক দুয়োপক্ষকে বিভিন্ন প্ৰশ্ন কৰিলে আৰু দুয়োপক্ষেই উত্তৰ লৈ বিচাৰৰ আন এটা নিৰ্ধাৰিত দিন দিলে। কিন্তু ক এই বিচাৰৰ মুল কথা জানিবলৈ তেওঁ আদালতৰ ফালৰ পৰা অনুসন্ধানকাৰীক অনুসন্ধান কৰিবলৈ ।

বিচাৰৰ নিধাৰিত দিনত পুনৰ বিচাৰ আৰম্ভ হ'ল। আদালতে ৰোহনৰ স্কুলত হোৱা ঘটনাৰ কথা জানেনে সুধিলে। জিনিয়ে উত্তৰ দিলে মই নাজানো আৰু বিচাৰকে পুনৰ সুধিলে যে ৰোহনৰ স্কুলৰ পৰা তোমালৈ াননী বা ফোন আদি আহিছিল নেকি? জিনিয়ে কলে হয় মোক ৰোহনৰ স্কুলৰ অধ্যক্ষই ফোন কৰিছিল ছিল যে — ৰোহনৰ বিষয়ে আলোচনা কৰিবৰ বাবে আপোনাক মাতিছে। কিন্তু মই অফিচৰ কামত ব্যস্ত াৰণে যাব নোৱাৰিলো। তেতিয়া আদালতৰ অনুসন্ধান কাৰীয়ে জিনিক সুধিলে যে— আপুনি জানেনে টিউচনলৈ কেতিয়া গৈছে। জিনি উত্তৰ দিছিল যে হয় মই জানো ৰোহন এতিয়াওঁ টিউচনত গৈ আছে। অনুসন্ধানকাৰীয়ে জনালে যে ৰোহনে দুমাহ আগতে টিউচন এৰিছে কাৰণ স্কুলত মাহেকীয়া পৰীক্ষাত

পাবলগীয়া নম্বৰ নোপোৱাৰ বাবে স্কুলে ৰোহনক হাইস্কুল শিক্ষান্ত পৰীক্ষাত বহিব নিদিয়ে। জিনিয়ে আ
হ'ল আৰু লগে লগে ৰোহনক সুধিলে যে— ৰোহন তুমি দুমাহ আগৰ পৰা টিউচনৰ সময়ত ঘৰৰ পৰা
আহি কৈলে যোৱা। ৰোহনে একো উত্তৰ নিদিলে। সি তলমুৰাহৈ বহি থাকিল। তেতিয়া অনুসন্ধান কাৰীয়ে
যেঃ আপুনি চিন্তন চৌধুৰীক জানেনে? চিন্তনৰ লগত আপোনাৰ আৰু ৰোহনৰ কি সম্পৰ্ক? তেতিয়া জি
উত্তৰ জিছিল চিন্তন চৌধুৰী ৰোহনৰ সংগীত শিক্ষক। অনুসন্ধানকাৰীয়ে তেতিয়া ক'লে যে— ৰোহনে
আগৰ পৰা টিউচন এৰি চিন্তনৰ ওচৰত সংগীত শিকিবলৈ যায়। পুনৰ অনুসন্ধানকাৰীয়ে সুধিলে যে - চি
লগত আপোনাৰ ক'ত চিনাকী হৈছিল? জিনিয়ে উত্তৰ দিলে মামনী নামৰ মোৰ এজনী বান্ধৱীৰ ঘৰত।
আগৰ ঘৰৰ মালিকে ঘৰ এৰি দিয়াৰ আদেশ দিছিল তেতিয়া মই বিপদত সহায় বিচাৰি মামনীৰ ঘৰত গৈ
তাতে চিন্তনৰ লগত আমাৰ চিনাকী হয়। অনুসন্ধান কাৰীয়ে ক'লে তেনেহ'লে আপোনালোকক চিন্তনে
কৰিছিল। জিনিয়ে উত্তৰ দিছিল হয় তেওঁ আমাক এটা ভাড়া ঘৰ সহায় হিচাপত দিছিল।

অনুসন্ধানকাৰীয়ে সুধিলে যে— ইমান সহায় কৰা এজন ব্যক্তিৰ লগত মাজতে আপোনাৰ আৰু
চৌধুৰীৰ সম্পৰ্কত কিয় বাধাৰ সৃষ্টি হোৱা দৰে হৈছিল। এই প্ৰশ্নৰ উত্তৰ জিনিয়ে দিব বিচৰা নাছিল
বিচাৰকে ক'লে যে এই বিষয়ে যদি কোনো জ্ঞাত ব্যক্তি আছে তেন্তে তেওঁক এই বিষয়ে যি জানে কবলৈ
তেতিয়া জিনিৰ বান্ধৱী মামনীয়ে কৈছিল যে—জিনি আৰু ৰোহন অকলশৰীয়া, আনহাতে চিন্তনৰ
বুলিবলৈ তেওঁ অকলে সেয়ে চিন্তনে ৰোহনক অত্যন্ত ভাল পাইছিল আৰু জিনিৰ উকা কপালত চিন্তনৰ
নামৰ সেন্দুৰ দি বিয়া কৰাই ৰোহনক চিন্তনৰ নাম দি নিজৰ সন্তান বুলি আকোৱালি ল'ব বিচাৰিছিল। কিন্তু
জিনিক এই প্ৰস্তাৱ নিজে দিবৰ বাবে সাহস গোটাব পৰা নাছিল। সেয়ে চিন্তনে জিনিক এই প্ৰস্তাৱ দিবৈলে
পঠাইছিল। জিনিয়ে এই প্ৰস্তাৱ মানি ন'ললে আৰু সেই কাৰণে চিন্তন আৰু জিনিৰ সম্পৰ্কৰ মাজত
ঘটিছিল। তেতিয়া অনুসন্ধাকাৰীয়ে ক'লে যে ৰোহনৰ পঢ়া শুনাত ব্যৰ্থ হোৱাৰ কাৰণ এই চিন্তন চৌধুৰী।
এই কথা শুনি চিন্তনক বিভিন্ন কথা শুনালে আৰু ক'লে আপুনি আমাক সহায় কৰিবলৈ আহি বদনাম
কৰিলে।

বিচাৰকে চিন্তনক সুধিলে যে মামনীয়ে কোৱাঁ কথা খিনি সত্যনে?

চিন্তনে উত্তৰ দিলে যে হয় সত্য, মই জিনিক বিয়া কৰাব খোজো। আদালতত উথাপিত সকলো ক
ৰোহনৰ গাৱৰ পৰিয়ালে জিনিক বিভিন্ন কঠোৰ মাতেৰে ককৰ্থনা কৰিলে আৰু ৰোহনক নিবলৈ ককাকে
হাতত ধৰিলে। আনহাতে জিনিয়ে ৰোহনক এৰি নিদিওঁ বুলি কোৱাত বিছাৰকে ৰোহনক সুধিলে যেঃ ৰো
থাকি সুখীনে? ককাৰ লগত গাৱত থাকিবা। তেতিয়া ৰোহনে উত্তৰ দিলে ঃ আজি ৮ বছৰে মোৰ খুৰা, ক
আইতা কলৈ গৈছিল? আজিযে মোক নিবলৈ বিচাৰি আহিছে আৰু ৰোহনে ক'লে যে মই মাৰ লগ
আছো। কিন্তু আদালতৰ অনুসন্ধাকাৰীয়ে কলে যে ৰোহনৰ দায়িত্ব পালন কৰাত মাক জিনি সম্পূৰ্ণ সফ

ণ ৰোহনে টিউচন আৰু সংগীত শিকিবলৈ যোৱাৰ কথা জিনিয়ে নাজানে আৰু স্কুলত নম্বৰ কম পোৱাৰ বাবে স্কুল শিক্ষান্ত পৰিক্ষাৰ পৰা বিৰত থাকিব লাগিব সেইটো নাজানে। এই কথাখিনিৰ সুযোগ লৈ দেৱধৰ বৰ্মনে ালতত অনুৰোধ জনালে যে ৰোহনৰ ভৱিষ্যত গঢ়াৰ বাবে গাৱলৈ নিবলৈ দিয়ে যেন। দেৱধৰ বৰ্মনৰ অনুৰোধ া কৰা নকৰাৰ কোনা উত্তৰ বিচাৰকে নিদিওঁতে অনুসন্ধানকাৰীয়ে আদালতত প্ৰকাশ কৰিলে যে দেৱধৰ বৰ্মন ঃ তেওঁৰ পৰিয়ালৰ আনদুজন সদস্যই ৰোহনক নিবলৈ অহাৰ উদ্দেশ্য ৰোহন পালন কৰাত মাকৰ ব্যৰ্থতা নহয় এক বেলেগ উদ্দেশ্য তেতিয়া আদালতৰ বিচাৰকে দেবধৰ বৰ্মন সুধিলে যে আচল উদ্দেশ্য কি ? কিন্তু দেবধৰ ন আগতে কোৱা কথাখিনি পুনৰ কলে আৰু অন্য একো উদ্দেশ্য নাই। তেতিয়া অনুসন্ধানকাৰীয়ে আদালতক া যে ঃ- ৰোহনৰ দেউতাক সমৰ বৰ্মনৰ মৃত্যুৰ প্ৰায় দুবছৰ পিছত যেতিয়া জিনিয়ে ৰোহনক লৈ চহৰলৈ আহে তৈয়া গাৱৰ ঘৰখন শূন্য যেন অনুভৱ হৈছিল। সেয়ে দেবধৰ বৰ্মনে তেওঁৰ সৰু পুত্ৰ নীল বৰ্মনৰ বিয়া পাতি া। এনেদৰে নীল আৰু দিপ্তী বৰ্মনৰ মাজত বৈবাহিক শাৰীৰিক স্বামী স্ত্ৰীৰ সম্পৰ্ক হৈছে যদিও দিপ্তী বৰ্মন য়ালৈ মাতৃত্ব লাভ কৰা নাই, নীল আৰু তেওঁৰ পৰিয়ালটো দিপ্তীক মেডিকেলত পৰীক্ষা কৰিলে বহু চিকিৎসা লে যদিও ডাক্টৰে মতামত দিলে যে দিপ্তী বৰ্মনে মাতৃত্ব লাভ কৰিব কেতিয়াওঁ নোৱাৰে। সেয়ে দেবধৰ বৰ্মনে ঁৰ মৃত ডাঙৰ পুত্ৰৰ অংগ ৰোহনক মাকৰ পৰা আতৰ কৰি তেওঁলোকৰ মাজত ৰাখি ভবিষ্যতৰ সাৰথি হিচাপেহে ল আহিছে। অনুসন্ধানকাৰীৰ কথা শুনি দেবধৰ বৰ্মন আচৰিত হৈ বহু আশাৰ ওপৰত চেচাপানী ঢালি দুখেৰে কথা সত্য বুলি স্বীকাৰ কৰিবলৈ বাধ্য হ'ল কাৰণ এই কথা দেবধৰ বৰ্মনৰ সৰু বোৱাৰী দিপ্তী বৰ্মনেও আদলতত বুলি কলে।

অনুসন্ধান কাৰীে কলে যে ৰোহনৰ পঢ়া শুনাত ব্যৰ্থতাৰ কাৰণ চিন্তন চৌধুৰি বুলি কোৱাৰ অৰ্থ হ'ল তই ৰাহনে নিজৰ দেউতাকৰ মৃত্যুৰ পিছত মাকৰ দুখ কষ্ট অনুভৱ কৰিছিল। সেয়ে চিন্তনৰ ফালৰ পৰা মামনীয়ে য়া মাকৰ আগত বিয়া প্ৰস্তাৱ দিছিল আৰ মাকে মানি নললে। সিদিনাৰ পৰা ৰোহনে মাকক চিন্তনৰ লগত ই দিবলৈ বহু চেষ্টা চলাই আছে। আনকি ৰোহনে প্ৰিয়বন্ধুবোৰৰ লগত বিধৱা বিবাহ বা পুনৰ বিবাহৰ ওপৰত চষ্টা কৰিছে। সেয়ই নহয় ৰোহনে মাক আৰু চিন্তনক মিলাই দিয়াৰ বাবে মামনীৰ ওচৰত সহায় বিচাৰিছে। াতৰ বিচাৰকে মামনীক সুধিলে যে ৰোহনে আপোনৰ পৰা কেনেধৰণৰ সহায় বিচাৰিছিল। মামনীয়ে কলে হনে এদিন মোৰ ওচৰত আহি কলে মাক আৰু চিন্তনক লগ লগাই দিয়াত সম্পূৰ্ণ সহায় লাগে। তেতিয়া মই নক সম্পূৰ্ণ সহায় কৰিছিলো। আদলতৰ বিচাৰকে তেতিয়া ৰোহনক সুধিলে তুমি কিহৰ কাৰণে তোমাৰ মা চিন্তন চৌধুৰী মিলাব বিচাৰিছা।।

ৰোহনে ক'লে- মোৰ দেউতাৰ মৃত্যুৰ পিছৰ পৰা মাই মোৰ সুখৰ বাবে কি কৰা নাই আৰু কি নকৰিব। ত যিমান বিপদৰ মুখামুখী হৈছে সকলোতে মাই অকলে .... কৰি আহিছে। মই যিমান কিতাপৰ ওপৰত চৰ্চা ছা তাৰ প্ৰায় বোৰৰ পৰা এইটোয়ে শিকিব পাইছো বা জানিছো যে নাৰীৰ জীৱনত বোলে শিৰৰ সেন্দুৰ আৰু ৰ বাহিৰে ডাঙৰ সুখ নাই একো নাই। গতিকে মাই মোৰ সুখ চাই যিমান সুখ পাই দাপোনৰ আগত নিজৰ

শিৰৰ উকা ৰং দেখি বেছি দুখ পাই। যিহেতু চিন্তন চাৰে নিজে তেওঁৰ নাম মোৰ নামৰ লগত মিলাই মাৰ উক শিৰত সেন্দুৰৰ ৰং দিবলৈ আহিছে। মাই কিয় ইয়াৰ পৰা আতৰিব লাগে। মোৰ দেউতা সমৰ বৰ্মনৰ আত্মাই জাগ শান্তি পাব মোৰ মাৰ সদায় দুচকু আচুৰে ভৰি থাকিলে। সেয়ে মই মা আৰু চিন্তন চাৰক মিলাই দিব বিচাৰো। মা ম এইবোৰ কাম কৰি তোমাক দুখ দিছো ৰোহনে কান্দি কান্দি মাকৰ আগত ক্ষমা সুজিলে। ৰোহনৰ প্ৰয়াস আ প্ৰচেষ্টাৰ উদ্দেশ্য শুনি আদালতত উপস্থিত বিচাৰক, গাৱৰ পৰিয়াল আৰু অন্য সকলো ব্যক্তি অবাক হ'ল।

বিচাৰকে পুনৰ চিন্তনক সুধিলে, চিন্তন চৌধুৰী আপুনি জিনিক কিয় বিয়া কৰাব বিচাৰিছে?

চিন্তনে কলে ঃ জিনি এজনী বিধৱা মহিলা । ৰোহন জিনিৰ একমাত্ৰ পুত্ৰ যি মোৰ শিষ্যই নহয়, তাক য মোৰ প্ৰিয় বন্ধু আৰু সন্তানৰ দৰে ভাল পাওঁ। গতিকে জিনিৰ জীৱনৰ বহু সময় এতিয়াওঁ বাকী আছে য'ত সমাজ কিছু অসৎ প্ৰবৃত্তিৰ ব্যক্তিয়ে বিধৱা মহিলাক ঘৃনণীয় দৃষ্টিৰে চাই আৰু তাৰ ওপৰত বিভিন্ন অপ্ৰিয়, অসত্য কথা চ কৰে। বিধবা এজনীয়ে সমাজত জীয়াই থাকোতে কিমান বিপদৰ সন্মুখীন হ'ব লাগে এই আমি সকলোৱে দে আহিছো আৰু জানো। জিনিক মই বিয়াই কৰাই এই সকলো বিপদত মই জিনিক সহাৰি দিব বিচাৰো আৰু বিধ প্ৰতি কু-সমাজৰ নিন্দা আৰু ঘৃণা জিনিৰ ওপৰত আছে তাক মই চিৰদিনৰ বাবে নোহোৱা কৰিব বিচাৰো। বিধ বিবাহ কোনো পাপ, নিন্দনীয় কাৰ্য যে নহয় মই তাক সমাজৰ আগত দাঙি ধৰি ৰোহনক অভাৱনীয় দেউতা মৰম দিব বিচাৰো।

আদালতৰ বিচাৰকে সকলো কথা সকলো উত্তৰ বিচাৰ কৰি চাই সিদ্ধান্ত প্ৰকাশ কৰে যেঃ জিনিয়ে য ইচ্ছা কৰে ৰোহনৰ ভৱিষ্যত আৰু ৰোহনৰ মনৰ ইচ্ছা পূৰণ কৰি চিন্তন চৌধুৰীৰ লগত বিয়াহে নতুন জীৱন ন পৰিয়াল গঠন কৰিব পাৰে। ৰোহনৰ ভৱিষ্যতৰ দায়িত্ব পালনৰ পৰা গাঁৱৰ পৰিয়ালটোক বঞ্চিত কৰিলে। ল লগে আদালতৰ ফালৰ পৰা ৰোহনক ভৱিষ্যতৰ সমাজ সংস্কাৰক বুলি শিশু সমাজ কৰ্মী আখ্যা দি ৰোহনৰ লগ ৰোহনৰ জন্মদাত্ৰী মাক জিনি বৰ্মনকো সন্মান জনালে।

## মহৎ লোকৰ বাণী ঃ-

**শ্ৰী উৎপল কাকতি**
**পঞ্চম যান্মাসিক**

১) যিয়ে আনক জানে তেওঁ বিদ্বান, যিয়ে নিজক জানে তেওঁ জ্ঞানী। —লাওচি
২) মই সংগ্ৰামহীন জীৱন কল্পনাকে কৰিব নোৱাৰো। সংগ্ৰাম আৰু সংঘাট মোৰ জীৱনৰ শ্বাস প্ৰশ্বাস। —কলম্বাস
৩) যিয়ে এবাৰ বিশ্বাস ঘাটকতা কৰিছে তেওঁক পুনৰ বিশ্বাসত নলবা। — শ্বেক্সপীয়েৰ
৪) প্ৰত্যেকজন শিশুৱেই একোজন বিজ্ঞানী। — ডঃ কালাম

# "ভগা সপোন"

— শ্ৰীবুবুল দাস
স্নাতক ৩য় বৰ্ষ

ৰমেন মাক দেউতাকৰ একমাত্ৰ সন্তান। সি বিচৰ মতেই মাক-দেউতাকে সকলো দিয়ে। মাক -দেউতাকৰ আছিল যে সিহতৰ ল'ৰাই পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব। সিহতলৈ সুনাম কঢ়িয়ই আনিব। সেয়ে মাক-কৰ তাক ইঞ্জিনিয়াৰ কৰাৰ উদ্দেশ্য আছিল। ৰমেনৰ দেউতাকে এখন হাইস্কুলত শিক্ষকতা কৰিছিল। ৰমেন দশম মান শ্ৰেণীৰ ছাত্ৰ। সি পঢ়াত সিমান চোকা নহয়। স্কুলত শ্ৰেণীকোঠাতো সিমান মনোযোগ নিদিয়ে। ়গৰীয়াবোৰৰ সৈতে হাঁহি ধেমালিৰে সময়বোৰ নষ্ট কৰে। স্কুললৈ যাওঁ বুলি মাজে সময়ে ফুৰিবলৈ যায়। ন্ধু বিকাশ একেবাৰে অকৰা স্বভৱৰ ল'ৰা। সেয়ে সি ৰমেনৰ সৈতে নানান ধৰণৰ নকৰিবলগীয়া কামবোৰ ঘৰৰ পৰা দুয়ো স্কুলৰ পোছাক পিন্ধি যায় কিন্তু আধাবাটত সেই পোছাক খুলি ৰঙা নীলা জিনচ মাৰি বা হোটেলত নাইব কোনোবা পাৰ্কত আড্ডা দিয়ে। ৰমেনে এদিন দেউতাকক সুধিলে দেউতা মোক এখন াগে। চাইকেলেৰে স্কুললৈ অহা যোৱাত অসুবিধা হয়। তেতিয়া দেউতাকে এখন বাইক দি দিলে। তেতিয়া াত আৰু সুবিধাহে হ'ল। আবেলি আবেলি সি ছোৱালী এজনীক লগ ধৰিবলৈ যোৱা হ'ল। ছোৱালীজনীৰ াক্ষী। তায়ো দশম মান শ্ৰেণীৰে ছাত্ৰী আছিল। ৰমেনে যে প্ৰায়ে স্কুল খতি কৰে সেই কথা ছোৱালীজনীয়ে সি নানান ধৰণৰ ফাকি দিলে। তেতিয়া ছোৱালীজনীয়ে ক'লে তুমি স্কুললৈ আহিবা নহ'লে মোৰ ভাল । পৰীক্ষালৈয়ো আৰু বেছি দিন নাই। যেতিয়া সি স্কুললৈ যায় শিক্ষকে তাক সুধিলে কোনোবা দিনা অসুখ কোনোবা দিনা জ্বৰ ইত্যাদি কথাৰে ফাকি দিয়ে। এনেকৈ সি দিনক দিনে দুষ্ট হৈ গ'ল। গধুলি পঢ়া কিতাপখন মেলি লৈ নানান ধৰণৰ চিন্তা কৰে। তাৰ প্ৰিয় ছোৱালীজনীক মেছেজ কৰি সময়খিনি কটায়। উতাকে ভাবে যে আমাৰ সিহতৰ পঢ়ি আছে। এনেতে পঢ়া টেবুলত মাকে ভাল ভাল খোৱা বস্তু দি যায়। তাকে নজানকৈ চিখৰ, চাধা, বিড়ি, চিগাৰেট ইত্যাদি নাখাবলগীয়া বস্তুবোৰ খায়। এদিন দুদিনকৈ গৈ সময়তো ৰমেনৰ মন একে হৈ থাকিল। সি পৰীক্ষা দিলে। মাক দেউতাকে সোধাত পৰীক্ষা ভাল হোৱা

বুলি ক'লে। পৰীক্ষা শেষ হোৱাৰ পিছত ৰমেন ইমান বেয়া হৈ গ'ল যে সি মদ সেৱন কৰা হ'ল। মিনাক্ষী মোমায়েকহঁতৰ ঘৰলৈ ফুৰিবলৈ গৈ এমাহমান থাকিল। তাই ৰমেনৰ একো খবৰ নাপালে। এনেকৈ তিনি পিছত পৰীক্ষাৰ ৰিজাল্ট আহিল। মিনাক্ষীয়ে প্ৰথম স্থান পাই অসমীয়াত লেটাৰ মাৰ্ক পালে আৰু ৰমেনৰ প বেয়া হ'ল। ৰমেনৰ পৰীক্ষাৰ ৰিজাল্ট শুনি মাক-দেউতাকে যি দুখ পাইছিল সেয়া হয়তো তেওঁলোকৰ জী প্ৰথমবাৰৰ বাবে পাইছিল। ৰমেনে যেতিয়া মাক-দেউতাকৰ চকুলৈ চালে তেতিয়া তাৰ চেতনা আহিল যে সি কি কৰিলো। ৰমেনৰ মাক-দেউতাকৰ দৰে হয়টো আমাৰ সমাজত বহুতো এনেকুৱা মাক-দেউতাক যিসকলে হয়টো নিজৰ ল'ৰাই কত কি কৰে কত যায় গমকে নাপায়। ৰমেনৰ মাক-দেউতাকে যদি আগতে দিলেহেতেন তেন্তে ৰমেনৰ এনেকুৱা অৱস্থা নহ'লহেতেন। পইচা দিলেই নহয় সেইবোৰ ক'ত খৰচ কৰে সেই লক্ষ্য ৰখা উচিত। ৰমেনৰ দৰে এনেকুৱা বহুত ল'ৰা আছে যিসকলে মাক-দেউতাকৰ কথা চিন্তা নকৰি মিন দৰে ছোৱালীৰ প্ৰেমত পৰি নিজকে পাহৰি যায়। সি যদি আগতে চিন্তা কৰিলেহেতেন তেন্তে মাক-দেউ সপোন বাস্তৱত পৰিণত হলহেতেন। সেয়ে জীৱনৰ লক্ষ্য স্থিৰ কৰি সকলোৱে আগবাঢ়ি যোৱা উচিত।

---

(১) এজন মানুহে যিবোৰ কথাত বা কামত ব্যস্ত হৈ থাকে সেইবোৰ যদি মূল্যৱান হয়, তেন্তে বুজিব লাগিব যে মানুহজন নিজেই মূল্যৱান।

— মাৰ্কাছ অৰেলিয়াছ

(২) উত্তম বিধৰ মানুহে বুজি পায় কোনোটো কথা শুদ্ধ। অধম বিধৰ মানুহে চিনি পায় কোনোবোৰ কথা ভালকৈ বিক্ৰী হ'ব।

— কনফুছিয়াছ

(৩) "Be good, do good and do to have good" অৰ্থ ভাল হোৱা, ভাল কৰা আৰু ভাল পাবলৈ যি কৰিব লাগে তাকে কৰা।

— শ্ৰী শ্ৰী ঠাকুৰ অনুকুল চন্দ্ৰ

(৪) ক্ষমাৰে ক্ৰোধ জয় কৰিবা। বেয়াক ভালেৰে জয় কৰিবা। অসত্যক সত্যৰে জয় কৰিবা। ইয়ে প্ৰকৃত ধৰ্ম।

— বুদ্ধদেৱ

(৫) পৰক আপোন কৰিবলৈ প্ৰতিভাৰ দৰকাৰ।

— ৰবীন্দ্ৰনাথ ঠাকুৰ

— শ্ৰী চিংকু মণি দে
স্নাতক তৃতীয় বৰ্ষ

# জীৱনৰ সংঘাট

— শ্ৰী মমী তালুকদাৰ
২য় বৰ্ষ

এটা সৰু পৰিয়াল বিদিশা, অনুজা আৰু মাক-দেউতাক। মাক-দেউতাকে সিহঁতক বহুত মৰম কৰে আৰু তক লৈ বহুতো সপোন দেখিছে। বিদিশাৰ দেউতাক এখন সাধৰণ বিদ্যালয়ৰ কৰ্মচাৰী। কোনোমতে ঘৰখন আছে। টকা-পইচাৰ অলপ অভাৱ যদিও সিহতে মনত সেই অভাৱ অনুভৱ নকৰে। বিদিশা পঢ়াত বৰ চোকা, ীক বছৰে পৰীক্ষাত প্ৰথম হয়। সেইবাবে শিক্ষক-শিক্ষয়িত্ৰীয়ে তাইক বহুত ভাল পায় আৰু বহুতো সহায়ো। বিদিশাৰ ভায়েক অনুজ পঢ়াত ইমান ভাল নহয়। সি খেলা-ধূলা, নৃত্য-গীত আদি কৰি ভাল পায়। সিহত ৰে কৃতকাৰ্যতা দেখি মাক-দেউতাক বহুত সুখী। কিন্তু সিহতৰ সুখ সদায় একে হৈ নাথাকিল। হয়তো ভগৱানে লোকৰ জীৱনলৈ ধুমুহা বোৱাই দিলে, যাৰ ফলত বিদিশাহতৰ সুখবোৰ দুখলৈ আৰু আনন্দবোৰ বেদনালৈ ত্তৰ হ'ল। এদিন বিদিখা, অনুজ আৰু মাক-দেউতাক ফুৰিবলৈ গ'ল, গধুলি ঘৰলৈ উভতি আহোতে সিহতৰ খনত সম্মুখৰ বাছখনে খুন্দিয়ালে। লগে লগে সিহতক চিকিৎসালয়লৈ লৈ গ'ল যদিও মাক-দেউতাক ইল আৰু অনুজৰ অৱস্থা বেয়া । চিকিৎসা কৰিবলৈ টকা-পইচাৰ প্ৰয়োজন বিদিশাই একো ভাবি পোৱা নাই কি কৰিব? কলৈ যাব? পইচা কৰ পৰা গোটাব? এনেকুৱা বহুতো প্ৰশ্নই বিদিশাৰ মনত জটিলতাৰ সৃষ্টি হ'ল। তাই উপায় বিহিন হৈ ঘৰৰ কিছুমান মূল্যৱান বস্তু বিক্ৰী কৰি সেই পইচাৰে অনুজক চিকিৎসা কৰালে। কিন্তু সম্পুৰ্ণভাৱে সুস্থ নহল। চিকিৎসকে বিদিশাৰ অৱস্থাৰ বিষয়ে জানি অত্যন্ত দুঃখিত হৈ অনুজক সম্পুৰ্ণভাৱে কৰিবলৈ বহুতো চেষ্টা চলালে । অনুজ সম্পুৰ্ণভাবে সুস্থ হবলৈ হ'লে বাহিৰলৈ নিব লাগিব। চিকিৎসকে বহুত কৰি অনুজক আগতকৈ অলপ সুস্থ কৰালে। যিমানখিনি সম্ভৱ সিমানখিনি সুস্থ কৰি বিদিশাই অনুজক ঘৰলৈ নাহিল। বিদিশা এতিয়া সম্পূৰ্ণ অকলশৰীয়া আৰু নিৰুপায় হৈ পৰিল। অনুজক ঘৰলৈ অনা খবৰটো পাই মানুহ খবৰ লবলৈ আহিল কিন্তু বিদিশাই সিহতৰ পৰা বিশেষ সহাৰি নাপালে। বিদিশাহতৰ গাৱৰ মানুহবোৰ ল নহয়। সকলোৱে নিজৰ কামত ব্যস্ত হৈ থাকে। গাৱৰ দুই তিনিজনমান মানুহৰ বাহিৰে তাইক সহায় লৈ আন মানুহ নাহিল। বিদিশাৰ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু দেউতাকে কাম কৰা বিদ্যালয়ৰ শিক্ষক-য়িত্ৰীবোৰ আহি তাইৰ দুখ আৰু অসহায়ৰ কথা শুনি বহুত দুখ পালে। তেওঁলোকে বিদিশাক পঢ়াৰ ক্ষেত্ৰত

বহুতো সাহার্য্য আগবঢ়াই দিহা পৰামৰ্শ আগবঢ়ালে। সেইমতে বিদিশাই পঢ়া শুনা কৰি অসমৰ ভিতৰত ভা চিকিৎসক হৈ পৰিল। তাই গোটেই গাওঁখনৰ লগতে বিদ্যালয়খনৰো নাম উজ্বলালে। গাৱৰ মানুহবোৰ বিদিশ খবৰ পাই সিমান সুখী নহল। বিদিশা যদিও নিজৰ ভৰিত নিজে থিয় দিলে তথাপিও মাক-দেউতাকৰ কথা মন পেলাই বহুত দুখ আৰু অকলশৰীয়া অনুভৱ কৰে। মাজে মাজে কান্দিবলৈও ধৰে। বিদিশা গাৱৰ ঘৰ এৰি অনুজ লৈ বাহিৰলৈ গুচি গ'ল। তাত অনুজক চিকিৎসা কৰাই সুস্থ কৰি তুলিলে। অনুজ বৰ্তমান সুস্থ কিন্তু সি মনত পালে কাৰণ সি হয়তো সহজে খেলা-ধূলা, নৃত্য-অভিনয় আদি কিছুমান অনুষ্ঠানত অংশ গ্ৰহণ কৰিব নোৱাৰি এনেকৈয়ে বহু সংঘাটৰ মাজেৰে বিদিশা আৰু অনুজে মাক-দেউতাকৰ স্মৃতি লৈ জীয়াই থাকিল।

## তিনিৰ মহত্ব

ঃ তিনিটা বস্তুৱে জীৱনত কাৰো অপেক্ষা নকৰে।
- জন্ম, মৃত্যু আৰু সময়।

ঃ তিনিটা বস্তু জীৱনত এবাৰহে পোৱা যায়।
- পিতৃ, মাতৃ আৰু যৌৱন।

ঃ তিনিটা বস্তু সদায় নিজৰ অধীনত ৰাখিব লাগে।
- কাম ক্ৰোধ আৰু মোহ।

ঃ তিনি জনক সদায় সন্মান কৰিব লাগে।
- পিতৃ, মাতৃ আৰু গুৰু।

ঃ তিনিটা বস্তুক সদায় স্মৰণ কৰি চলিব লাগে।
- ইশ্বৰ, মৃত্যু আৰু প্ৰেম।

ঃ তিনিটা বস্তুৰ পৰাই নিজকে বচাই চলিব লাগে।
- কু-পন্থা, আত্ম স্বাৰ্থ আৰু পৰ নিন্দা।

ঃ তিনিজনৰ প্ৰতি দয়াশীল হ'ব লাগে।
- নাবালক, ভোকাতুৰ আৰু পাগল।

ঃ তিনিটা বস্তু ওলাই গ'লে আৰু ঘুৰি নাহে।
- শৰ, মুখৰ কথা আৰু প্ৰাণবায়ু।

ঃ তিনিটা কথা কেতিয়াও পাহৰিব নালাগে।
- কৰ্তব্য, ঋণ আৰু আত্মসন্মান

ঃ তিনিটা বস্তুৱে আয়ুস কমায়।
- চিন্তা, পৰৰ অনিষ্ট আৰু পৰচৰ্চা।

ঃ তিনিটা বস্তুৱে জীৱনক মহৎ কৰিতোলে।
- সৎচিন্তা, পৰিশ্ৰম আৰু অধ্যয়ন।

— মিছ ছৰ্ডিনা বেগম
স্নাতক প্ৰথম বৰ্ষ

# বান্ধৱী

— শ্ৰী দিপালী ৰাজবংশী

সৰু গাওঁ এখনত বাস কৰিছিল অতি মৰম লগা দুজনী ছোৱালীয়ে। এজনীৰ নাম মিনাক্ষী, আনজনীৰ নাম
দ্ৰী। দুয়ো আছিল অতি নলে-গলে লগা বান্ধৱী। মিনাক্ষীৰ দেউতাক নোহোৱা হেতুকে মাকে মানুহৰ ঘৰত
বন কৰি তাইক ডাঙৰ মানুহ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু শিক্ষিত হোৱা বাবে হিমাদ্ৰীৰ মাকে তাইক ভাল
ইছিল। চহকী ঘৰৰ আছিল যদিওঁ হিমাদ্ৰীৰ মনটো বৰ সহজ-সৰল আছিল। এদিন মিনাক্ষীই হিমাদ্ৰী স্কুললৈ
াৱাৰ বাবে নোটখিনি দিবলৈ গৈছিল। বাহিৰত কোনো নথকাৰ বাবে কলিংবেলটো বজোৱাত হিমাদ্ৰীৰ মাক
ই আহিল। তেতিয়া মিনাক্ষীই ক'লে খুড়ী হিমাদ্ৰী ঘৰত আছেনে? মাকে ক'লে হিমাদ্ৰী ঘৰত নাই আৰু তুমি
ৰ ঘৰলৈ নাহিবা। তেতিয়া মিনাক্ষী দুখ পাই গুচি গ'ল আৰু হিমাদ্ৰীই মাকৰ কথাবোৰ ঘৰৰ ভিতৰৰ পৰা
আছিল। মিনাক্ষীই দুখ পাই গুচি যোৱাত হিমাদ্ৰীৰ বৰ বেয়া লাগিল। তেতিয়া মাকে ক'লে তুমি হলা ডাঙৰ
ঘৰৰ ছোৱালী আৰু মিনাক্ষী হৈছে দুখীয়া ঘৰৰ ছোৱালী। সেইবাবে তুমি তাইৰ লগ নহ'বা। তেয়া হিমাদ্ৰীই
ক'লে মা তুমি জানানে আমাক ছাৰ বাইদেউসকলে কি বুজাই। দুখীয়া আৰু চহকীৰ মাজত কোনো পাৰ্থক্য
সইবাবে মিনাক্ষী মোৰ ভাল বান্ধবী।

## মহৎ লোকৰ বাণীঃ-

— মিচ মিনুজুমা বেগম
বি.এ. প্ৰথম ছেমিষ্টাৰ

(১) বন্ধুত্ব হৈছে দুটা দেহত বাস কৰা এটা আত্মা। — এৰিষ্টটল
(২) যিজনৰ নিজৰ ওপৰত বিশ্বাস নাই, তেওঁ কোনো কথাতে সফল হ'ব নোৱাৰে। — নেপোলিয়ন
(৩) প্ৰেমবিহীন জীৱন শলিতা নোহোৱা চাকিৰ দৰে। — মহাত্মা গান্ধী
(৪) আমি দুখীয়া হ'ব পাৰো, কিন্তু যাতে অসৎ নহওঁ তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। — মাও জে দং
(৫) প্ৰেমৰ আনন্দ ক্ষণস্থায়ী, কিন্তু প্ৰেমৰ বেদনা চিৰস্থায়ী। — ৰবীন্দ্ৰনাথ
(৬) প্ৰত্যেক দিনেই জীৱনৰ শেষ দিন বুলি কাম কৰি যোৱা। — জিম কৰবেট
(৭) সু-সংস্কাৰেই হ'ল পৃথিৱীৰ আটাইতকৈ ডাঙৰ বোজা। — ড. সৰ্বপল্লী ৰাধাকৃষ্ণণ

# স্বীকাৰোক্তি

— সঞ্জী
স্নাতক তৃতী

সিদিনাখনো মই পুৱা ৫.৩০ বজাতে উঠিছিলো, কাৰণ ৬ বজাৰ পৰা মোৰ টিউচন আছিল। উঠিয়েই মই মুখ হাত ভৰি ধুই পদুলিৰ ফালে অলপ ওলাই আহিছিলো। অইন দিনাৰ দৰেই সিদিনাও মোতকৈ আগতে শুৱাপাটী এৰি কৰাবলৈ গৈছিল, আচলতে মই জানিছিলো দেউতা ক'লৈ গৈছিল। কি দেউতাক সোধাত দেউতাই কয় যে তেওঁ পুৱা অলপ ব্যায়ামৰ বাবে ফুৰে। এই বাক্যষাৰ সম্পূৰ্ণ মিছাও ন সেয়েহে মই তাৰ পিছত আৰু একো কোৱা নাছিলো। মই মাক উঠা দেখি মাত যাৰ দি টিউচনলৈ বুলি ওল

পুৱা ৮ বজাত মই যেতিয়া টিউচনৰ পৰা আহিলো মোৰ সৰু ভাইটিয়ে আমাৰ গেৰেজখন খুলি আৰু মই মোৰ বাবে ৰৈ থকা গ্ৰাহকবোৰৰ কামবোৰ এখন এখনকৈ কৰিবলৈ ল'লো। এনেতে দেউতা পালেহি। সিদিনা মোৰ মনটো সিমান ভাল নাছিল। ইয়াৰ কাৰণো স্বাভাৱিক আছিল কাৰণ দেউতাৰ কাৰ্যই মোৰ লগতে পৰিয়ালৰ আন সদস্যবোৰৰ মনটো দুখ দিছিল। তথাপিও সহ্য কৰিছিলো। দেউতা বে বহিল। মই কাম কৰিয়ে আছিলো। গ্ৰাহক দুজনমানো বেঞ্চখনতে বহি আছিল। গ্ৰাহক কেইজনে মোৰ ফালে চাই কিবা অলপ উপলুঙা কৰিছিল। মোৰ সেয়া দেখি বহুত লজ্জাবোধ কৰিছিলো আৰু অলপ খং উ সেয়েহে মই দেউতাক ঘৰত যাবলৈ ক'লো। (যিহেতু আমাৰ ঘৰতে গেৰেজ আছিল) দেউতাই পোনতে বুলি ক'লে। তাৰ পিছত মই আকৌ ক'লো যে তই ঘৰত যাগৈ মই অলপ কাম কৰো দোকানত গ্ৰাহকবো আছে তোক এনেদৰে দেখিলে কি বুলি ক'ব। এইবুলি কোৱাত দেউতাৰ খং উঠিল আৰু মোৰ সৈতে মতভেদ হ'ল। যাৰ ফলত মই গ্ৰাহক কেইজনৰ কামখিনি শেষ কৰি গেৰেজখন বন্ধ কৰিলো আৰু ঘৰলৈ দেউতাও মোৰ লগে লগে ঘৰলৈ গ'ল আৰু মোক গালি দিব ধৰিলে। এনেতে ময়ো দেউতাক দুআ বেয়াকৈ কৈ পেলালো। কিন্তু মদিৰাপানৰ কাৰণে হয়তো মোৰ সেই কথাখিনিও মনত নোসোমাল। বেয়াকৈ কৈ ময়ো সুখী হোৱা নাছিলো কিন্তু দেউতাক বুজাই বুজাই আৰু নোৱাৰা হৈ গৈছিলো। যাৰ ফল মনৰ ওপৰত মোৰ ধৈৰ্য কমি গৈছিল আৰু সেয়ে মোৰ পিতৃক মই অলপ বেয়াকৈ কৈ পেলোৱা গৈছি পিছত মই বাথৰুমত দুৱাৰৰ শিলা লগোৱাই প্ৰায় ১৫ মিনিটমান কান্দিছিলো। এনেতে মোক মোৰ ভী ফোন কৰিছিল আৰু মই মোৰ চকুপানি মচি ভীনদেউৰ লগত কথা পাতিলো। ফোনটো ৰাখি মই তাৰ প আহি দমকলৰ তলত মুৰটো থৈ অলপ সময় গাটো ধুলো। তাৰ পিছত আকৌ গেৰেজখন খুলিবলৈ বু দেউতাই তেতিয়াও মোক বিচনাত শুই শুই গালিয়ে পাৰি আছিল। মই গেৰেজত প্ৰায় ১১ মান বজালৈ বাহিৰত অলপ কাম থকা বাবে মই মটৰ চাইকেল খনলৈ ওলাইছিলো।

দুপৰীয়া ১১.৪০ মান বজাত মই ঘৰ পালোহি। তেতিয়া দেউতা বিচনাত টোপনি আছিল। মই অলপ কিবা কম্পিউটাৰ ক্লাছত যাবলৈ ওলালো। মই যেতিয়া ক্লাছত যাব উলাই আছিলো তেতিয়া দেউতা বিচনাৰ পৰা পকীত নামি মূৰটো বিচনাত থৈ শুই আছিল। মই কাপোৰযোৰ সলাই দেউতাৰ ওচৰলৈ গ'লো। মই এবাৰ লো দেউতাক মই বিচনাত ভালদৰে শুৱাই থওঁ নেকি? কিন্তু মই আকৌ ভাবিছিলো যদি মই দেউতাক নাত শুৱাই থওঁতে দেউতা সাৰ পাই আৰু আকৌ গালি পাৰিব ধৰে। সেয়ে ভাবিলো নালাগে দেউতা অলপ ত নিজে সাৰ পাই ওপৰত শুই থাকিব। কাৰণ দেউতাই আগে পিছেও তেনেদৰে শুই থাকে যাৰফলত মই বেছি নাভাবি মাক মাতযাৰ দি মোৰ বন্ধু জনৰ লগত কম্পিউটাৰ ক্লাছলৈ বুলি গ'লো। মই ১২.৩০ মান ত ক্লাছলৈ গৈ পালো। যিহেতু আমাৰ ক্লাছ ১ বজাৰ পৰাহে আৰম্ভ হয় মই মোৰ মবাইলটো বাহিৰৰ ৰুমত ত দি অলপ বাহিৰলৈ গ'লো। অলপ সময়ৰ পিছত যেতিয়া মই ৰুমত সোমালো তাত থকা চাৰ জনে ক'লে মাক বোলে কোনোবাই ফোন কৰিছিল কিন্তু নেটৱৰ্ক নোহোৱা বাবে ভালদৰে কথা হ'ব নোৱাৰিলে। মই লগে নম্বৰটো চালো দেখিলো আমাৰ খুড়াৰ ল'ৰাৰ নম্বৰ। মই ভাবিলো ই অসময়ত কিয় ফোন কৰিছে। তাৰ ফোনটোক গুৰুত্ব দি মই নেটৱৰ্ক থকা ঠাইলৈ গৈ তাক ফোন কৰিলো আৰু লগে লগে মোক এনেকুৱা খবৰ দিয়া হ'ল যিটো খবৰ পৃথিৱীৰ কোনো পুত্ৰই শুনিব নিবিচাৰিব যে তেওঁৰ দেউতাক আৰু এই তি নাই। মোৰ অলপ সময়লৈকে মূৰটো ঘূৰাই যোৱা যেন লাগিল কাৰণ এনেধৰণৰ ধেমালি হয়তো ও কাৰো লগত নকৰে। মই অলপ সময়লৈকে ধৈৰ্য্য হেৰুৱাই পেলাইছিলো যদিও লগে লগে মই মোক কৰিলো আৰু ৰুমত গৈ মোৰ বহিটো লৈ চাৰক ক্লাছ নকৰো বুলি ক'লো। এনেতে মোৰ বন্ধুজনে শুধিলে ক্লাছ নকৰা। মোৰ মুখত তাক উত্তৰ দিবলৈ শব্দ নোহোৱা হ'ল। তথাপিও মই তাক ক'লো কিবা হৈছে মই যাওঁ। সিওঁ মোৰ লগত মটৰ চাইকেলত উঠিল মই ক্লাছৰ পৰা ঘৰ কেতিয়া পালোহি মই গমকে নাপালো। পাৰাত দেখিলো চুবুৰীৰ মানুহবোৰ আমাৰ ঘৰত জুম লাগিছিল মই দৌৰি দৌৰি ঘৰত সোমালো। মই লো দেউতা ঠিক তেনেদৰেই শুই আছিল। যেনেদৰে মই ক্লাছত যাওঁতে দেখিছিলো। মই আৰু থিয় দি থকা হেৰুৱাই পেলাইছিলো আৰু লগে লগে মই মাটিত বাগৰি পৰিছিলো। সিদিনাৰ কথা আৰু মই লিখিব নোৱাৰিম। এটা কথা মই জানিছিলো যে সিদিনাখন মই মোৰ জীৱনৰ আটাইতকৈ মূল্যৱান সম্পদ এটি হেৰুৱাইছিলো। যিজন ব্যক্তিৰ কাৰণে মই আজি এই সুন্দৰ পৃথিৱীখনৰ মুখ দেখিবলৈ পাইছো। তেখেতক মই কি দিলো। মোৰ পৰা একো নোপোৱাওতেই এই ধৰণী ত্যাগ কৰিলে। ইয়াৰ বাবে প্ৰকৃতাৰ্থত দোষী কোন? দেউতা নে আসক্তিযুক্ত সমাজ? ময়ো ইয়াৰ বাবে পৰোক্ষভাৱে দায়ী নেকি? এই প্ৰশ্নইমোক জীৱনযুৰি আমনি কৰি ব...।

সিদিনা মই দেউতাক কৰা ব্যৱহাৰে মোক মনত বহুত কষ্ট দিয়ে। সেয়েহে অৱশেষত মই সমূহ পাঠক ৰ অভিভাৱক সকললৈ মোৰ অশ্ৰুভৰা বিনম্ৰ অনুৰোধ কৰো যাতে তেওঁলোকে তেওঁলোকৰ সন্তানৰ মানক হানি নকৰে। যাৰ ফলত সন্তানেও তেওঁলোকৰ মনত দুখলগীয়া কাৰ্য্য কৰিবলৈ বাধ্য নহয়।

# অতীতক নাযাবা পাহৰি

— মিঞ্জুমা বেগম
স্নাতক ১ম বর্ষ

মনত পৰেনে তোমাৰ
সেই অতীতৰ কথাবোৰ
এৰি থৈ অহা সেই
ল'ৰালিৰ দিনবোৰ
খেলিছিলো লুকা-ভাকু
কৰিছিলো ধেমালি,
হাহি-বেদনাৰে ভৰা
আৰু ক'ত যে কি?
মনত পৰিলে এতিয়াওঁ
মোৰ আহে চকুপানী।
কেতিয়া আহিব আৰু
সেই তাহানিৰ দিনবোৰ
মৰিলেও ঘূৰাই নাপাও
পুনৰ আগৰ কথাবোৰ
আছিলো মোৰ মনত
বহুতো কল্পনা,
কম বুলি ক'ব নোৱাৰিলো
তোমাক আজি
আতৰি গুচি গ'লা
মোৰ মন শুধা কৰি।
এতিয়াও যদি ঘূৰি অহা
লম মই আকৌ আদৰি
সেয়েহে পুনৰ কৌছো
অতীতক নাযাবা পাহৰি।
অতীতক নাযাবা পাহৰি।।



# তোমালৈ

— শ্ৰীজুমি ক
স্নাতক ১

যদিহে লাগে তোমাক সুখ জীৱনত
নিদিবা দুখ কিন্তু কাৰো হৃদয়ত,
যদিহে দিব খোজা কোনো হৃদয়ত
বিচাৰি নাপাবা সুখ চিৰ জীৱনত।
যদিহে কাৰোবাক তুমি কৰা প্ৰৱঞ্চনা
ভুগিব লাগিব এদিন তাৰ লাঞ্চনা,
যদিহে তুমি কৰা অহিত কল্পনা
শুনিব লাগিব এদিন পৰৰ গঞ্জনা।
লোকৰ কথাত তুমি যদি ভোল যোৱা
হ'ব লাগিব এদিন অতিকে হালোৱা,
পৰৰ কথাত যদি তুমি আগবঢ়া
জীৱন পথত তুমি উজুতি খাবা।
কেতিয়াবা তুমি যদি অহিত চিন্তা কৰ
জীৱনলৈ নামি আহিব বহু কালিমা,
কু কাৰ্য্য কৰি যদি শান্ত লভা
শেষৰ বেলিকা কিন্তু শান্তি নোপোৱা
তাকে ভাবি তুমি সৎপথ ধৰা
নিজৰ জীৱনক তুমি অতি সুখী কৰা,
নিজৰ সুখক লৈ তুমি জীৱন জুৰো
সুখৰ বতৰা লৈ জয়গান গোৱা।



# ভগ্ন হিয়াৰ বিননি

— শ্ৰীমধুস্মিতা নাথ
স্নাতক ১ম বৰ্ষ

ই ভগ্ন হিয়াৰ বিননি,
ই তেজে আবৰা শৰীৰ,
নো চাব, কোনেনো বুজিব
খত কোনেনো কান্দিব।
পিতৃহাৰা,
াতৃহাৰা
াৰে যেন হিয়াৰ বিননি....।


হত্যা হিংসাৰে আৱৰা
এই পৃথিৱীত
এমুঠি অন্ন, অকণমান বস্ত্ৰৰ
বাবেই যেন এই কালিমা।

চাৰো এই পৃথিৱীত
ক নিৰ্মল একাজলি শান্তি....
নিবিচাৰো
বাৰুদৰ শব্দ
বিচাৰো....
নেহী আইৰ বুকুত
শান্তিৰ দলিচা।

# নুবুজানে তুমি ??

— মিছ সোন মইনা নাহৰ
স্নাতক ১ম বৰ্ষ

নুবুজানে তুমি...??
মোৰ অবুজ মনৰ বতৰা,
নে বুজিও নুবুজাৰ ভাও ধৰা!
হয়তো বুজিও নুবুজা...।
তুমি আহিবা বুলি মনৰ দলিচা
আজিও থৈছো আলফুলে সাজি;
হিয়া বিয়াকুল মাথোঁ তোমাৰ
মনৰ আলসুৱা মৰম পাবলৈ।
কেতিয়াবা.....
সময় পালে জুমি চাবা এবাৰলৈ
হ'লেও মোৰ হিয়াৰ উৰুঙা পজালৈ।
বুজি পাবা তেতিয়া.....
কিদৰে জীয়াই আছো..... অকলশৰে,
আমাৰ পঁজাটি ভাঙি-চিঙি গৈছে,
হিয়াৰ মৰমবোৰ মৰহা ফুলৰ দৰে হৈছে।
মৰহা ফুলৰ পুলিত তুমি আহি
পানী দিলে আকৌ ফুলি উঠিব....।
আহিবানে তুমি???



# যেতিয়া সপোন বোৰ উৰে

— শ্ৰীঅনুপ জ্যোতি ডেকা
স্নাতক ৩য় বৰ্ষ

যেতিয়া সপোন বাৰ উৰে
ধুলিৰ দৰে,
এখন্তেক ! বন্ধু এখন্তেক
আলপ কৰা নিৰ সতে
কিদৰে নিষ্প্ৰভ হয়
আমাৰ যৌৱন।

দুঃ সময়;
স্পৰ্শ কৰিব নোৱাৰি প্ৰেমানুভূতি
অমল প্ৰাণৰ
ভীতিগ্ৰস্ত এই জীৱন,
বাটে ঘাটে ল'ব নোৱাৰি বকুল ফুলৰ সুগন্ধ।
আকাশ বতাহ সকলোতে এতিয়া
মানৱতাৰ মৃত্যুৰ খ'বৰ।





# আশা

— শ্ৰী জোনাল
স্নাতক

জননী জন্ম ভূমি স্বৰ্গতকৈ শ্ৰেষ্ঠ।
পাৰিনে মোৰ জীৱনটো এই মাতৃভূমিৰ
কাৰণে দান কৰিব ?
পাৰিমনে কলকলতা, মুলাগাভৰুৰ
দৰে এই দেশ মাতৃৰ কাৰণে
জীৱনটো উচৰ্গা কৰিব ?
এই দেশৰ সেৱা কৰিবলৈ
মোৰ আশা,
এই দেশৰ কাৰণে যুঁজিবলৈ
মোৰ হেপাঁহ,
মোৰ জীৱনৰ এই আশাবোৰ
যিদিনা দিঠকত পৰিণত হ'ব
সিদিনা মই মটিয়া ৰঙৰ কাপোৰ
যোৰেৰে সো হাতখন কপালত
থৈ তিনিবৰণীয়া জাতীয়
পতকাখনক আদৰণী জনাম।

# অপেক্ষা

— মিছ ইলিমা বেগম
স্নাতক ১ম বৰ্ষ



তামাৰ অপেক্ষাত
দিত সুৰুজৰ ৰঙীণ আভাত
তামাকেই বিচাৰি মই
াৰ কৰো সময় পল অনুপল
াগৰৰ উত্তল তৰংগ ৰাজিত
িনিকি ৰিনিকি দেখা এতিয়াও
স্মৃতিৰ গৰ্ভত বিলীন হোৱা
তীতৰ স্মৃতিবোৰে ভুমিকি মাৰে
াৰ মানস পটত।
তিৰ পাপৰি আৰু বহু আশাৰে ৰচা
পোনবোৰচোন বাস্তৱত হেৰাল।
াৰ বননিত ...
শাৰ ৰঙা গোলাপ কলিটি
জি কিয় মৰহি শুকাল।
কৃতিৰ প্ৰতিটো বস্তু
াৰ দৃষ্টিত ধূশৰ হ'ল।
জি যে মই
ভূমিৰ মাজত তৃষ্ণাতুৰ পথিক।
ীচিকা বিচাৰি হ'লো ক্লান্ত তথাপিও
আশা লৈ আছো বাট চাই
ী ফুলৰ সুবাসেৰে সুবাসিত
াইৰ বিচিত্ৰ সংগীত ধ্বনিৰ মাজত।
াৰ হৃদয়ৰ ভগ্ন টুকুৰাবোৰ লৈ
জিও বৈ আছো মই,
পক্ষাৰ অন্তত নিৰাশাৰ মাজেৰে,
ামাৰ সৈতে শান্তিৰ পঁজাটি সাজিবলৈ।

# মনে বিছাৰে তোমাক



— মিছ চেলিমা বেগম
স্নাতক ১ম বৰ্ষ

আজি কাষত তুমি নাই
মোৰ মনে বিচাৰে যে তোমাক
আজি মই অস্তিত্ব বিহীন
তোমাক বিচাৰি মই যে কান্দো অন্তৰ উজাৰি।
নুবুজা কিয় মোৰ জীৱনৰ কাহিনী
জীৱন যাত্ৰাত পালো মাথো তোমাক বিচাৰি
নাই কিন্তু তোমাৰ হৃদয়ত মোৰ প্ৰতিছবি।
মোৰ হৃদয়ত আছে মাথো কেৱল তোমাৰ
প্ৰতিছবি।
সপোনতো বিচাৰি যাও সকলো ঠাইত
তুমি নুবুজিলা মোৰ জীৱনৰ কাহিনী।
আতৰি নাযাবা দে মোৰ মনৰ পৰা
নৈয়ে ভেটা দিব পাৰে জানো সোতক
পাহৰিব পাৰি জানো প্ৰথম প্ৰেমক
মোৰ মনে বিচাৰে যে তোমাক
মাথো তোমাক।।

# তোমালৈ মোৰ মনত পৰে


— শ্ৰী বিকাশ শৰ্মা
পঞ্চম ষান্মাসিক

সন্ধা যেতিয়া নামে
আকাশত জিলমিলাই কাচি জোনে
অবুজ আবেগত উজাই আহে
তোমালৈ মোৰ মনত পৰি
চকুলো বয় বাৰে বাৰে।।


এচাতি বতাহ যেতিয়া বলে,
জিৰজিৰ বৰষুণ যেতিয়া পৰে
আকাশত বিজুলী চমকি উঠে
গৰজি উঠা আকাশখন দেখি
তোমালৈ মোৰ মনত পৰে।।

পখীটি যেতিয়া বাঁহলৈ আহে
কোলাহলে যেতিয়া কমে লাহে লাহে
অবযাদে আৱৰি ধৰে
তোমালৈ মোৰ মনত পৰে।।

শেৱালীৰ সুবাস হেৰুৱাৰ দৰে
বেদনাই মোকো দহে
অবুজ আৱেগ উজাই আহে
নিয়ৰৰ টোপাল অশ্ৰু হৈ
মোৰ চকুৰে পৰে।।



সন্ধা যেতিয়া নামি আহে
তোমালৈ মোৰ মনত পৰে।।



# সৈনিক

— শ্ৰীবৰষ

মন যায় তোমাক চাবলৈ
কোন সৰগত আছা তুমি
নিৰৱে আছা সহি
অন্তৰৰ গোপন মৰম।।

নিশাৰ আন্ধাৰ গছকি,
সূৰ্য্যৰ তাপক নেওঁচি
দেশৰ হকে জিলা জীৱন দান।।
অপত্য দেশ প্ৰেম লৈ,
অচিন দেশলৈ গ'লা গুছি
মাত্ৰ দি গ'লা চকুলো।
বুকুৰ মাজত থকা তোমাৰ,
কৰুণ স্মৃতিবোৰ,
হৈ ৰ'ল চিৰযুগমীয়া।
তথাপিও আছো আশা কৰি
তুমি আহিবা এদিন,
মানুহক কৰিবা জয়,
মৃত্যুক কৰিবা জয়,
সকলো মানুহে গাব জয়গান
জয় মৃত্যু জয়।।
জয় মৃত্যু জয়।।



# বেদনাৰ অন্য এক নাম

# 'প্ৰেম'

— শ্ৰী উৎপল কাকতি
পঞ্চম ষান্মসিৰ্ক

থাকোতে একোকে নিদিলা
াজি কিয় দিলা ফুল।।
কপাই মচিব পাৰেনে।
ৱনৰ য'ত ভুল।।
শাহে দিবপাৰে জানো।
চ দুচকুৰ পানী।।
াই দিব কোনেনো পাৰিব।
দিন গ'ল গুচি।।
ৰ ৰঙা ৰং হয় বিষাক্ত ডাৱৰ।
ও,
ওঁৰ আকুলতাত নিবিড় হৈ পৰিলো মই।
ওঁৰ বাবে খুলি দিলো হৃদয়ৰ দুৱাৰ।
ওঁ কঢ়িয়াই অনা গোন্ধহীন এপাহ ফুল।
লফুলে মই সুমুৱাই ললো।।
ৱনৰ কলা ডাঁৱৰ আকৌ ৰঙা কৰিববলৈ।
ানী পাই সজীৱ হৈ উঠা ঘাঁহৰ দৰে।
া, নীলা হৈ উঠিলো মই।
তেওঁৰ আকুলতাত তেওঁৰ মমতাত।।

# মাতৃ

— শ্ৰীসংগীতা বৰুৱা
স্নাতক তৃতীয় বৰ্ষ

আই তোমাক সহস্ৰ প্ৰণাম
তোমাৰ কোলাতে জন্ম লভিলো
শীতল বুকুৰ উম লৈ মই
যৌৱন অৱস্থা পালো
কিন্তু আজি হায়; তোমাক দিবলৈ মোৰ যে আৰু
একো নাই।
আছে মাথো এটুপি নিঃস্বাৰ্থ মৰমৰ চকুলো।
মোৰ চকুলোৰে তিয়াই যাম তোমাৰ চৰণ
কৰি যাম আৰতী অহোৰাত্ৰী।
হে মাতৃ আজি মোৰ প্ৰতিটো ক্ষণ শ্বাসৰুদ্ধ
হৃদয়ৰ দপ দপনিত শুনো মই কুৰুক্ষেত্ৰৰ কোলাহল
চক্ৰবেহুত কেৱল অভিমন্যুৰ মৰণ কাতৰ আৰ্তনাদ
দানবৰ হিংসা, অন্যায়, অবিচাৰ ৰুধিবলৈ
দেখিও অন্ধ, জানিও অজ্ঞান কিয়।
কিয় আজি তুমি মানৰ মুৰ্ত প্ৰতীক?
বিষ্ণুৰ চক্ৰ ধৰি কৰি যোৱা
ম্লেচক বুন্দামাৰ।
শীতল সুবাসৰ আঁচলৰ ছাঁত
ক্ষন্তেক জিৰাম আৰু কৈ যাম
আই তোমাক সহস্ৰ প্ৰণাম।



# আৰ্ত্তনাদ

— মিছ লাইলা বেগম
স্নাতক প্ৰথম যান্মাসিক

আইমাতৃৰ হাঁহাকাৰ
চৌপাশে কেৱল জ্বলিছে
ৰাজনৈতিক দাবানল
অসমী আইক ছিন্ন-ভিন্ন কৰাৰ
কুট কৌশল
মিছা অধিকাৰ লাভৰ অংক
শাসন যন্ত্ৰ নিস্ফল
ধৃতৰাষ্ট্ৰৰ ভাওঁ দি
যোগ-বিয়োগত ব্যস্ত
শাসনৰ বাঘজৰী-লাভৰ চেতনা
সকলো নিমাত,
স্তব্ধ মাটিৰ মানুহৰ জীৱন,
বন্ধ সংস্কৃতি আৰু
অসমী আইৰ দূৰ্গতি
আঁহা আমি আগুৱাই যাওঁ
আইৰ আৰ্ত্তনাদ নাশিবলৈ
মৰণ পনেৰে একগোট হৈ।।



# চক্ৰবেহু

— ৰূপজ্যোতি
সাংস্কৃতিক

মাঘৰ তিনিচাৰি দিন গ'ল কি নগ'ল
গাৱৰ নামঘৰত আখৰা চলিল বছৰেকীয়
আমাৰ মনবোৰ উথপথপ।
ভীম ভীম নকৰিবি ভীমৰ আগত...
পিতাইৰ ধমক আৰু শীতে
সেওঁ মনাব নোৱাৰা আমাৰ মন।
গজেন দাইটিৰ ভীমৰ ভাও চোৱাৰ দুৰ্দা
ব'হাগৰ ন-পানী বঢ়াদি বাঢ়ে।
পিচে এইবেলি অভিমন্যু বধৰ নাটহে
একেই থাকিল মনৰ উৎসাহ
আমাৰ মন আনন্দত ৰঙীয়াল
সন্ধিয়াতে নামঘৰৰ মজিয়াত খেৰ পাৰি
ঠাই দখলৰ প্ৰতিযোগিতা,
গলধন আয়ে গাঠি দিয়া চেলেংচাদৰ
হাতত ভজা বুট লৈ অপেক্ষা
কেতিয়া আৰম্ভ হ'ব ভাওঁনা।

# দুখ আৰু যন্ত্ৰনা

— শ্ৰীৰিংকু কুমাৰ সিংহ
স্নাতক দ্বিতীয় বৰ্ষিক


লো এই পৃথিৱীৰ
াৰু যন্ত্ৰনাৰে ভৰপুৰ
বাৰু কিমান থাকিম
ীৰ ওপৰত
কি পৰি আছে সপোনবোৰ।

লাগে সেই সোণালী ৰংবোৰ
ই থাকো মন প্ৰাণ খুলি
পাম আনন্দৰ ঠাই
ৰ কথা চিৰদিন
ত স্পন্দন জগাই

াৰ আতৰ কৰিব
া অনুভৱ নকৰিব
য়া আহিব মোৰ সুখ
নি দুখবোৰ ক'ত।

লগা গীত গায়
মাজত এটি দুখলৈ
যিয়ে জীয়াই ৰাখিছে
ুলি
ী শুনাই।





# মোৰ প্ৰথম প্ৰেম

— শ্ৰী কমল ডেকা

যিদিনাৰ পৰা মই দেখিলো তোমাক,
সিদিনাৰ পৰা মই ভাল পালো তোমাক।
যদি তুমি প্ৰথম প্ৰেমক লোৱা সাৰটি,
তেতিয়া মই পাম তোমাৰ পৰা শান্তি।
মই মাথো তোমাৰ বাবে বোৱাইছো প্ৰেমৰ নৈ,
তুমি মাথো নাযাব মোৰ হৃদয় ভাঙি থৈ।
দুৰত থাকিলেও তুমি মোক নাযাবা পাহৰি।
তোমাৰ পৰা নাযাও মই জীৱনত আতৰি,
তোমাক মই ৰাখিম মোৰ হৃদয়ৰ মাজত।

# বেদনাৰ চকুলো

— শ্ৰীনৱনিকা নাথ
স্নাতক ১ম ষান্মাসিক

তুমি সচাই নিষ্ঠুৰ
তুমি নুবুজিলা আমাৰ অসহনীয় বেদনা
সেই নিষ্ঠুৰ ক্ৰন্দন
পত্নীৰ দুখ ভৰা চকুলো
তুমিতো বহুত সপোন ৰচিছিলা
—দেউতা!
কিন্তু তোমাৰ অকাল মৃত্যুৱে
ফাগুণী পচোৱাই ধূলীবোৰ উৰুৱাদি
সকলোবোৰ উৰুৱাই লৈ গ'ল।
তুমি তেতিয়া বহল ফুলৰ
বিচনাত শুই আছিলা,
কাষত আছিল ধূপ-ধূণা
আৰু যে কিমান মানুহ।
মোক বাৰু মানুহবিলাকে
তোমাৰ কাষলৈ কিয় যাব দিয়া নাছিল,!
মোৰ যে তোমাক এবাৰ হেপাহ পলুৱাই
চাবলৈ ইমান মন গৈছিল।
কান্দি কান্দি চাই আছিলো।
মই ভাৱিছিলো তুমি এনেয়ে শুই আছিলা
জানোচা মোৰ কাষত বহি চকুলো মচি দিয়া
কিন্তু প্ৰকৃতিৰ যে কি পৰিহাস।
আমাৰ যে ঘৰখন তেনেই উদাং হৈ গ'ল
তুমি নাই যে — তুমি গুচি গ'লা
কোনোবা নেদেখা দুৰ দুৰণীৰ অজান দেশলৈ।



# প্ৰতীক্ষা

— শ্ৰী চিংকু ম
স্নাতক

তোমাৰ বাবে সাচিচো মৰম
মধুময় স্বপ্ন মোহৰূপ
তোমাৰ বাবে ৰাখিছো মৰম
হৃদয়ৰ গোপন কোঠাত
হৃদয়ৰ খিৰিকী খুলি।
মৰমী তুমি আহিবা বুলি
বাটচাই ৰম পদুলী মুখতে
তুমি আহিবানে?
দুবাহুৰে মোক আকোৱালি ল'বানে?
তোমাৰ হৃদয়ত অকণমান স্থান দিবানে
মোৰ তৃষ্ণাতুৰ আত্মাক জিৰাবলৈ।
তোমাৰ মৰমক প্ৰতীক্ষা কৰি
আশাৰ এগচি চাকি জ্বলাই
কৰিছো প্ৰাৰ্থনা।
তুমি যেন প্ৰতি ক্ষণতে সুখী হোৱা
সেয়ে কৰিছো প্ৰতীক্ষা।

# তোমাৰ অবিহনে



— মিছ ছাৰ্জিনা বেগম
স্নাতক ১ম বৰ্ষ

ৰ অবিহনে জীৱনটো বাৰু কি?
থকাৰ সপোনো দেখিব নোৱাৰো।
অবিহনে হয়টো কিছু সময়
থাকিব পাৰিম।
তামাৰ অবিহনে নোৱাৰো
সেইজন মোৰ জীৱনৰ প্ৰথম প্ৰেয়সী।
ক মই মোৰ জীৱনতকৈয়ো বেছি
ণ ভাল পাই আছো।
াজি, মোৰ কালি, মোৰ দিন,
তিটো ক্ষণে কেৱল
ৰে তোমাৰেই।
জাতে, মোৰ প্ৰাৰ্থনাতে,
ন্তৰৰ প্ৰতিটো চুকতে কেৱল তুমি।
আকাশৰ তৰা আতৰি যাব
চন্দ্ৰৰ পোহৰো নুমাই যাব
সময় ক্ষন্তেকৰ বাবে
ৰৈ যাব।
শাৰ শেষ জেউতি নুনুমাৱালৈকে
অন্তিম উশাহ থকালৈকে
মাক অপেক্ষা কৰিম
তোমাক অপেক্ষা কৰিয়ে থাকিম।

# দুদিনীয়া মানৱ জীৱন

— শ্ৰীঘনশ্যাম দাস
স্নাতক ২য় বৰ্ষ

দুদিনীয়া মানুহৰ জীৱন
কোনে জানে,
ক'ত কেতিয়া কি হয়
আজি আছো কালি নাই।
কি বা আছে কপালত
বিধাতাই লিখা
সময় আকৌ
কেতিয়াও কাহানিও নাহে ঘূৰি
জীয়াই আছো
এয়াই বহুত।
এই জীৱন্ত কালতে কৰি যোৱা
নিজৰ কৰ্ত্তব্য
পিছ নোহোকিবা,
মাথো কৰি যোৱা।
আৰু চিন থৈ যোৱা
জননী এই আই মাতৃত বুকুত।
হাঁহি ফুৰ্তিৰে কটোৱা দিন
নানিবা অন্তৰত দুখ-বেদনা।
আতৰোৱা দুখ
আজি লোৱা জীৱনত সুখ।
জীৱন মানেই সংগ্ৰাম
সংগ্ৰাম মানেই জীৱন।
জয়ী হোৱাৰ পথ
নিশ্চয় জানিবা
কাৰণ,
দুদিনীয়া এই মানৱ জীৱন।

# বৰষা

— শ্ৰীদীপক কুমাৰ
প্ৰাক্তন ছাত্ৰ

গ্ৰীষ্মৰ সময় উকলিল
সময়য়ে নাই তাৰ
সাজি কাচি ওলালে সি
এয়াযে তোৰেসময়।
লুইতৰ পাৰৰ তৰু-তৃণ
আজি কিয় শুকান
মৰিচিকা নাইবা আই
এয়া যে তোৰে অভাৱ
বিষ্ণু-জ্যোতিৰ জ্যোতিত
দিপ্তীৰ শলিতাত
কোনে দিব তেল ঢালি
ভয়ে আহা বৰ্ষাৰ ৰূপেৰে
ভূপেন্দ্ৰ সংগীত জুৰি।
আহা আহা নকৰা পলম
পিয়াহত কঁপিছে অসমী আই,
ভয়ে লাগিব জিলিকাব
বৰ লুইতৰ শুকান ঠাই।
শৰতেও যে আছে
তোৰে অপেক্ষাত
খাল-বিল পুখুৰীয়েও
তোৰে মাতে ৰিঙিয়াই।
কি নামেৰে মাতো তোক
আহিবা কেতিয়া কৰপৰা?
চিক্-মিকনিৰ মাজে মাজে
ধৰণীখন বুৰাই দিয়া।




(কবি শ্ৰীদীপক কুমাৰ বৰ্ত্তমান এম.এ (অসমীয়া) দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ।)

# বিহংগিনী

— শ্ৰীকৰ্ৱ
স্নাতক

কোন তই বিহংগিনী
এই যে দুপৰ বেলি।
ক'ৰ পৰা আহিলি তই
কিনো কৰিম বুলি?
হিমালয়ৰ সুদুৰ সিপা
মনোৰঞ্জনৰ অনুষ্ঠান
ৰোমাঞ্চিত হয় সৰ্বাং
সঁচা সেউজীয়া হিমালয়ৰ, মোহ এৰি
কেনেকৈ আহি পালি এই নিৰ্জ্জন গাঁওৰ
হাড়ৰ বাবে টনা আজোৰা য'ত ভতুৰা কু
কিয় বাৰু হেৰুৱালি হিমালয় খনি।
বহুত সুখ লম বুলি আহিলি এই
কংক্ৰিটৰ আকাশলংঘী
শেষত নিৰবে নিচলে
কিয় গুচি

## মছেজ্ ডিলিট নকৰিব



— শ্ৰীপম্পী ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

াগত
ত আশা বহু সপোন
সাৰটি..........
ৰং, মহাবিদ্যালয়ত শিক্ষা আহৰণ কৰাৰ আশাৰে
াই জানো খোজটি......
াইদেউৰ কথাবোৰ...........
িলিট নকৰিবা
বিজি থাকি
জুত ভাইৰাছ সোমাবলৈ নিদিবা
ন্ত্ৰীয়ে শিক্ষাৰ
াৰ বহুৱাইছে
সদায় ফুল নেটৱৰ্ক।

বাইদেউ সকলে দিব.......
ৰ্ষৰ ধুনিয়া ধুনিয়া মেচেজ
াইবোৰ ডিলিট নকৰিবা।
িক নামৰ চিমখন
ফ টাইম কৰিবা
িদেউৰ মেচেজবোৰ
তিয়াওঁ
ডিলিট নকৰিবা।



## (( জোনাক ))

— শ্ৰীনয়ন মণি গোস্বামী
পঞ্চম ষান্মসিক

কি অপৰূপ আছিল সেই জোনাক
তোমাৰ বাৰু পৰেনে মনত ?
জোনাকৰ নিৰ্ম্মল পোহৰ বোৰ
কৃষ্ণচুৰা পাতৰ ফাকে ফাকে
চিতিকি পৰিছিল কোমল দুৰৰী বনত
তুমি আৰু মই মনৰ ভাৱবোৰ
প্ৰকাশ কৰিছিলো কি মধুৰ আছিল সেই সময়।
কি অপৰূপ আছিল সেই জোনাক
তোমাৰ বাৰু পৰেনে মনত।
শেৱালী ফুলবোৰো জোনাকৰ পোহৰত
শিল শিল কৈ হাঁহি উঠিছিল।
এনে লাগিছিল শেৱালী ফুল বোৰেও
আমাৰ মধুৰ কথাবোৰ শুনি
আনন্দতে নাছি উঠিছিল জোনাকৰ পোহৰত
শেৱালী ফুলৰ হৃদয় পুৰা
আমোল মোল গোন্ধ বিয়লি পৰিছিল চাৰিওদিশে
কি অপৰূপ আছিল সেই জোনাক
তোমাৰ বাৰু পৰেনে মনত........।

# মোৰ জীৱন

— শ্ৰী ৰিতামণি কলিতা
স্নাতক মহলা প্ৰথম বৰ্ষ

মোৰ জীৱন বহুত
দুখেৰে ভৰা
তুমি কি বুজিবা।
নুবুজিবা মোক তুমি
মিছাতে অভিমানী বুলি।
নহয় মই অভিমানী,
নহয় মই অহংকাৰী।
মই এজনী সাধৰণ ছোৱালী,
এবুকু সপোন লৈ আছো ওমলি।
শৰতৰ শেৱালীৰ তলতে,
কটাওঁ জোনাকৰ নিশাটি।
অলেখ বেদনাৰ মাজতো
সাঁচি ৰাখিলো এগছি চাকি,
যদিও দুখেৰে বৰা মোৰ জীৱন
নাজানো দুখবোৰ কি?
হাঁহি হাঁহি থাকো মই উমলি,
একাঁজলি দুখৰ মাজতো নাই
মোৰ এটুপি চকু পানী।।





# মৃত্যু

— শ্ৰীকিশোৰ ডেকা
স্নাতক ২য় বৰ্ষ

এনেকৈয়ে হঠাৎ এদিন
স্তব্ধ হৈ পৰে
জীৱনৰ সৰল ৰৈখিক গতি
যি সময়ক ৰক্তাক্ত কৰি
যন্ত্ৰনাৰ সাগৰৰ অটলত নিক্ষেপ কৰে।
হৃদয় নামৰ
এটি উনুকা যন্ত্ৰক
গলি শেষ হোৱা
চকুলোৰ সাগৰত
ব্যতিব্যস্ত একোখন
নিৰ্বাক কৰুণ হৃদয়
য'ত হেঁপাহৰ কোঁহে কোঁহে
অহৰহ জাগি থাকে
আপোনজনক উভটাই পোৱাৰ
দুবাৰ অকুল হাবিয়াস নাজানো
ক'ত বা হেৰাই যায়
প্ৰেমৰ আচল অভিমান
অথবা ভাল পোৱাৰ
শত সহস্ৰ নিবিড়তম সম্পৰ্কৰ বান্ধোন
যদি তুমি এবাৰলৈ দেখিলা হেঁতেন
বুকুৰ মাজত হঠাতে গজি উঠা
দুখ আৰু হতাশৰ
সেমেকা পথাৰ খন।
যদি তুমি এবাৰলৈ অনুভৱ কৰিলা হেঁতেন
বতাহত উৰি ফুৰা
বেদনা ক্লান্ত নিশ্চাস বোৰৰ
অসহায় যন্ত্ৰনা।।

# পাতিদৰং মহাবিদ্যালয়ত

## মোৰ প্ৰথম দিনটো

## ছাত্ৰানাং অধ্যয়নং তপঃ

— শ্ৰীজয়শ্ৰী ডেকা
স্নাতক প্ৰথম বৰ্ষ

মহান ব্যক্তিসকলৰ তথা ছাৰ-বাইদেউসকলৰ আশীষ শিৰত লৈ পাতিদৰং মহাবিদ্যালয়ত কটোৱা প্ৰথম দিনটোৰ কিছু মিঠা ক্ষণৰ বিষয়ে লিখিবলৈ ওলাইছো। কিবা যদি ভূল -ভ্ৰান্তি হয় মোক ক্ষমা কৰি দিয়ে যেন।

সিদিনা আছিল আগষ্ট মাহৰ ১ তৰিখ ২০১৩ পুৱা উঠি গা-পা ধুই ভাত-পানী খাই ইউনিৰ্ফমযোৰ পিন্ধি কান্ধত বেগ লৈ পতিদৰং মহবিদ্যালয়লৈ বুলি ওলালো। খুব ভাল লাগিছিল কাৰণ, কলেজীয়া জীৱনৰ প্ৰথম দিন। কিছু ভয়ো লাগিছিল। ভাবিছিলো ইয়াত পঢ়া student খিনি কিজানি পঢ়াত খুবেই চোকা। কিন্তু মইটে পঢ়াত সিমান চোক নাছিলো। বাৰু যিয়েই নহওক, চেষ্টা কৰিলে নিশ্চয় সফল হ'ম। এনেকৈ ভাবি ভাবি কলেজ পাই দেখিলো যে তেতিয়ালৈ কোনো student আহি পোৱা নাছিল। ময়েই প্ৰথম। ভাবিছিলো ক্লাচ নহ'ব নেকি? কোনো নাহিব নেকি ইত্যাদি প্ৰশ্নই মোক জুমুৰি দি ধৰিছিল। মনত কিছু সাহস লৈ এখোজ দুখোজকৈ আহি বৰাণ্ডাত থিয় দিলে। তেনেতে দুজন student আহি মোৰ কাষ পালে। চিনি নাপাওঁ তেওঁলোকেও নতুনকৈ আহিছে। তথাপিও মই নিজেই তেওঁলেকক মাত দিলো আৰু কিছু কথা পাতিলো। কিছু সময়ৰ পিছত আটাইবেৰ student আহিবলৈ ধৰিলে। আটইবোৰক লক্ষ্য কৰিলো কিছুমানৰ লগত চা-চিনাকি হ'লো আৰু Friendship কৰিলো। যিহেতু ইমান ছাত্ৰ-ছাত্ৰী, আটাইবোৰৰ লগত চিনাকী হোৱাটো সম্ভৱ নহয়। তাৰ পিছত ক্লাচ আৰম্ভ হ'ল। প্ৰথমে ছাৰ এজন সোমাল ছাৰক আমি প্ৰত্যেকেই নিজৰ নিজৰ পৰিচয় দিলো। লগতে ছাৰৰ লগতো খুব কথা পাতিলে। ছাৰে আমাক এনেকুৱা কিছুমান ধেমেলীয়া প্ৰশ্ন কৰিছিল যাৰ উত্তৰ আমাৰ হাতত নাছিল। সিদিনা খুবেই ভাল লাগিছিল। খুব হাঁহিছিলো, স্ফুৰ্তি কৰিছিলো। এনেকৈয়ে হাঁহি ধেমালিৰে ক্লাছবোৰ চলি গৈছিল।

অৱশেষত, মই এইটোৱে ক'ব বিচাৰিছো ছাৰ - বাইদেউসকলৰ আশীষ যেন সদায় আমাৰ লগত থাকে যাতে ভৱিষ্যতে নিজকে সফল নাগৰিক হিচাপে চিনাকি দিব পাৰো। ইয়াৰ জৰিয়তে দাদা বাইদেউ সকলকো অনুৰোধ জনাইছো, যিহেতু মই ইয়াত নতুন গতিকে ইয়াৰ নিয়ম কানুনত ভুল হ'ব পাৰে। সেয়েহে আপোনালোকে যেন নিজৰ ভন্টি বুলি ভাবি- সুধৰাই দিয়ে।

এইখিনি লিখি মই মোৰ চুটী লিখনীৰ সামৰণি মাৰিলো আৰু পাতিদৰং মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰিলো।

# এ আৰ ৰহমানঃ জয় হো

— শ্ৰী ভাষ্যতি শৰ্মা।
স্নাতক পঞ্চম ষান্মাসিক

কেলিফৰ্নিয়াৰ লছ এঞ্জেলছত অনুষ্ঠিত এক জাকজমকীয় অনুষ্ঠানত দুটাকৈ গ্ৰেমী বঁটা (বিশ্বৰ সৰ্বশ্ৰেষ্ঠ সাংগীতিক বঁটা) অৰ্জনেৰে এ আৰ ৰহমানে ২০১০ চনৰ ৩১ জানুৱাৰত তেওঁৰ কেৰিয়ৰত অন্য অভিলেখ গঢ়ে। চলচিত্ৰৰ বাবে শ্ৰেষ্ঠ 'কম্পলেছন চাউণ্ড ট্ৰেক এলবামৰ বাবে তেওঁ প্ৰথমটো। গ্ৰেমী বঁটা অৰ্জন কৰে আৰু দৰ্শন গণমাধ্যমৰ বাবে লিখিত গীতৰ শাখাত শ্লামডগ মিলিয়'নেয়াৰ চলচ্চিতৰখনৰ 'জয় হো' শীৰ্ষক গীতটেৰ বাবে গীতিকাৰ গুলঝাৰৰ সৈতে যুটীয়াভাৱে দ্বিতয়তো গ্ৰেমী বঁটা লাভ কৰে। বিগতে বৰ্ষতো শ্লামডগ মিলিয়নেয়াৰ চলচ্চিত্ৰখনৰ সংগীতৰ বাবে ৰহমানে দুটা অস্কাৰ বঁটা লভ কৰে।

এ আৰ ৰহমান ঃ সংক্ষিপ্ত জীৱনবৃত্ত

| | | |
|---|---|---|
| জন্মগত নাম | ঃ | এ এছ দিলীপ কুমাৰ |
| জনপ্ৰিয় নাম | ঃ | এ আৰ ৰহমান, এ আৰ, আৰ, এ আৰ |
| জন্মদিন | ঃ | ১৯৬৬ চনৰ ৬ জানুৱাৰী |
| জন্ম স্থান | ঃ | চেন্নাই, তামিলনাডু (ভাৰত) |
| কৰ্মৰাজী | ঃ | চলচ্চিত্ৰৰ সংগীত ৰচনাৰ বাদ্য বা কণ্ঠৰ অংশ প্ৰস্তুতকৰণ, থিয়েটাৰ, সংগীত। |
| জীৱিকা | ঃ | সুৰকাৰ, বাণীবন্ধনৰ প্ৰযোজক, সংগীত পিৰচালক, গায়ক, বাদ্যযন্ত্ৰী আয়োজনক, প্ৰগ্ৰেমৰ |

বঁটা আৰু সন্মানসমূহ ঃ

সংগীত জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে মৰিছাছ ৰাষ্ট্ৰীয় বঁটা আৰু মালেয়ছীয়া বঁটা ১৯৯৫ চন।

ল'ৰেন্স অলিডিয়াৰ বঁটা।

চাৰিবাৰকৈ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা।

ভাৰত চৰকাৰৰ তৰফৰ পৰা পদ্মশ্ৰী বঁটা।

সংগীত আৰু স্কৰৰ বাবে তামিলনাডু ৰাজ্যিক চলচ্চিত্ৰী বঁটা ৬ টা, ১৩ টা ফিল্মফেয়াৰ বঁটা আৰু দক্ষিণ ভাৰতৰ ১২ টা ফিল্মফেয়াৰৰ বঁটা।

ষ্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ৰ সন্মান জনক বঁটা ২০০৬ চন।

শ্লামডগ মিলিমনেয়াৰৰ সংগীতৰ বাবে সমালোচকৰ পচন্দৰ বঁটা ২০০৯ চন।

গোণ্ডেন গ্লোব বঁটা ২০০৯ চন।

শ্ৰেষ্ঠ চলচ্চিত্ৰ সংগীতৰ বাবে BAFTA বঁটা।

শ্ৰেষ্ঠ মৌলিক সংগীতৰ স্কৰ আৰু শ্ৰেষ্ঠ মৌলিক সংগীতৰ বাবে দুটা অস্কাৰ বঁটা ২০০৯ চন।

মিদ্‌লাছেক্স বিশ্ববিদ্যালয় আৰু আনিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা সন্মানজনক ডক্টৰেট ডিগ্ৰী।

২০১০ বৰ্যত শ্ৰেষ্ঠ কাম্পলেছন চাউণ্ড -ট্ৰেক এলবামৰ বাবে আৰু দৰ্শন গণমাধ্যমৰ বাবে লিখা শ্ৰেষ্ঠ গীতৰ বাবে দুটা গ্ৰেমী বঁটা লাভ কৰে।

পদ্মবিভূষণ বঁটা ২০১০ চন।

---

## মহৎ লোকৰ বাণী

— শ্ৰী নয়নমণি গোস্বামী
পঞ্চম ষন্মাসিক

(১) তোমাৰ যদি আত্মবিশ্বাস আছে তেন্তে লোকৰ সন্দেহলৈ ভয় নকৰিবা, তোমাৰ জয় অনিবাৰ্য। মহাত্মা গান্ধী।
(২) প্ৰথমে নিজকে বুজিলোৱা তেতিয়াহে আনক বুজিব পাৰিবা। ছক্ৰেটিছ।
(৩) চৰিত্ৰ হেৰালে জীৱনত সকলোখিনি হেৰায়। ছক্ৰেটিছ।
(৪) বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি - মাদাৰ টেৰেছা।
(৫) আজিৰ কাম কালিলৈ কৰিম বুলি থোৱাই নহবা কাৰণ কালি তোমাৰ কি হব তুমি নাজানা - হজৰত মহম্মদ।
(৬) শিক্ষক এজন মম বাতিৰ দৰে নিজে পুৰি আনক পোহৰ দিয়ে - নেতাজী সুভাষচন্দ্ৰ বসু।
(৭) সন্মান হল এডাল জুই শলাৰ কাঠিৰ নিচিনা, ইয়াক তুমি মাত্ৰ এবাৰেহে ব্যৱহাৰ কৰিব পাৰিবা - মাৰ্ক্স পাৰ্কন।
(৮) তুমি নোপোৱা বস্তুৰ বাবে অসন্তোষ নকৰিবা আৰু যি পাইছা তাতো অহংকাৰ নকৰিবা - কোৰান শৰিফ।



# সমাজ সেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

— শ্ৰী অনুপ ডেকা
সম্পাদক সমাজ সেৱা বিভাগ

প্ৰতিবেদনৰ বুলনিতে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণআহুতি দিয়া জ্ঞাত অজ্ঞাত শ্বহীদ সকললৈ মোৰ অশ্ৰুঞ্জলী যাচিছোঁ। লগতে যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত পাতিদৰং মহাবিদ্যালয় খন স্থাপন কৰিবলৈ সক্ষম হ'ল সেইসকল মহান ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

ইং ২০১২-১৩ বৰ্ষৰ ছাত্ৰ সন্থাৰ সমাজ সেৱা বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰি এই মহান অনুষ্ঠানখনিৰ সেৱা কৰাৰ মহৎ সুযোগ দিয়াৰ বাবে সমূহ পাতিদৰং মহবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ ওচৰত মই চিৰঋণী।

কাৰ্যভাৰ লৈয়ে মহাবিদ্যালয় সপ্তাহৰ লগত সংঘতি ৰাখি এদিনীয়া কাৰ্যসূচীৰে সমাজ সেৱা প্ৰতিযোগিতাত প্ৰায় ৩৫ গৰাকী ছাত্ৰ ছাত্ৰীক পৰ্য্যায়ক্ৰমে যোগ্যতাৰ প্ৰমাণ পত্ৰৰ লগতে বঁটা প্ৰদান কৰা হয়। মোৰ কাৰ্য্যকালৰ তিতা-কেহাঁ অভিজ্ঞতাৰ পৰা কওঁযে পাতিদৰং মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে হাতত দা, জাৰুতুলি ল'বলৈ লাজ কৰে। এই কথাষাৰি অপ্ৰিয় হ'লেও সত্য।

মোৰ কাৰ্যকালত চাৰিটামান মহাবিদ্যালয় চৌহদ চাফাই অভিযান চলোৱা হৈছিল। এই চাফাই অভিযানত যোগদানকাৰী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা লেখত ল'বলগীয়া। মই ছাত্ৰ-ছাত্ৰীক দিয়া কথা মতে সকলোখিনি কাম কৰিব নোৱাৰিলেও সামৰ্থ অনুযায়ী যৎকিঞ্চিত হ'লেও কৰিছো। মই মোৰ বিভাগৰ তৰফৰ পৰা অস্থায়ীকৈ হ'লেও টিঙৰ ডাষ্টবিনৰ ব্যৱস্থা কৰিছিলো কিন্তু উপযুক্ত সংৰক্ষণৰ অভাৱত সিয়ো ফুটুকাৰ ফেনত পৰিণত হ'ল।

নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত সীমাহীন অভাৱ পুৰণ কৰাটো কাৰো পক্ষই সম্ভৱ নহয়। আশা কৰো উত্তৰ সুৰী সকলে তাক পুৰণ কৰাৰ বাবে যত্ন কৰিব।

প্ৰতিবেদনৰ সামৰণিত মোক দিহা পৰামৰ্শ দি অনুপ্ৰেণাৰ যুগুৱা মোৰ শ্ৰদ্ধাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়, তত্ত্বাৱধাক লগতে ছাত্ৰসন্থাৰ সমূহ বিষয় ববীয়াৰ ওচৰত চিৰকৃতজ্ঞতা অৰ্পণ কৰিছো।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় কৰাৰ বাবে ছাত্ৰবন্ধু দীপু, অমৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰোপৰি মোক অভিভাৱকৰ দৰে বিভিন্ন দিহা পৰামৰ্শৰে অনুপ্ৰাণিত কৰা অমৰদাকো আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্য্যকালত সীমিত জ্ঞানেৰে কৰা বিভিন্ন কথাত অজানিতে কৰা ভূল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

বি ঃ দ্ৰ ঃ সাধাৰণ সম্পাদকৰ সম্পাদকীয় প্ৰতিবেদন নোপোৱাবাবে প্ৰকাশ নহ'ল)



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সুৱৰিছো যি সকলৰ অক্লান্ত পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত এই মহান অনুস্থানটিৰ ভেটি ৰচনা হ'ল। পাতিদৰং অঞ্চলৰে নহয় সমগ্ৰ অসমৰে এক অগ্ৰণী শিক্ষানুস্থান ৰূপে পৰিগণিত মহাবিদ্যালয়ৰ ক্ৰমবিকাশ আৰু গৌৰৱোজ্বল পৰম্পৰা ৰচনা কৰা সমূহ ব্যক্তিলৈ মোৰ সহস্ৰ প্ৰণিপাত নিবেদিছোঁ।

২০১২-২০১৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক বিনা প্ৰতিদ্বন্দিতাৰে পাতিদৰং মহাবিদ্যালয়ৰ লেখীয়া এখন মহাবিদ্যালয়ত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্ব বহন কৰাৰ সুবিধা কন দিয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ কাৰ্যভাৰ হাতত লোৱাৰ পিছতে মহাবিদ্যালয়ৰ খেল সপ্তাহ অনুষ্ঠিত হয়। এই খেল সপ্তাহত ছাত্ৰী জিৰণি কোঠাৰ তৰখৰ পৰা কেৰম খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। যি সকল প্ৰতিযোগিয়ে আগবাঢ়ি আহি অতি দক্ষতাৰে সকলোবোৰ প্ৰতিযোগীতাত যোগদান কৰিলে। তেওঁলোক সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

পূৰ্ণাংগ মহাবিদ্যালয় এখন প্ৰতিষ্ঠা কৰিবলৈ হ'লে কিছুমান অভাৱ অভিযোগ দূৰ কৰিব লাগিব আৰু ইয়াৰ বাবে মহাবিদ্যালয়ৰ কতৃপক্ষ আৰু মহাবিদ্যালয় ছাত্ৰ সন্থাই একলগ হৈ কাৰ্য্যসুচী হাতত লব লাগিব। তাৰ ভিতৰত অন্যতম ছাত্ৰী জিৰণি কোঠা এটাৰ অভাৱ। মই অধ্যক্ষ মহোদয়ৰ লগতে সমূহ শিক্ষাগুৰু আৰু মহাবিদ্যালয় ছাত্ৰ সন্থাক অনুৰোধ জনাওঁ যাতে ছাত্ৰী সকলৰ সুবিধাৰ্থে ছাত্ৰী জিৰণি কোঠা এটা নিৰ্মাণ কৰি তাত পূৰ্ণ পৰ্যয়াৰ সা-সুবিধা প্ৰদান কৰিব ।

সদৌ শেষত মহাবিদ্যালয়ৰ প্ৰতিজন সদ্যসকে মোৰ মৰম আৰু শ্ৰদ্ধা জ্ঞাপণ কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছো আৰু কেতিয়াবা অজানিতে কৰা ভূলৰ বাবে প্ৰত্যেকৰে ওচৰত ক্ষমা বিছাৰিছো। লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ বাৰ্যিক প্ৰতিবেদনৰ ইমানতে ইতিৰেখা টানিছোঁ।

" জয়তু পাতিদৰং মহাবিদ্যালয় ছাত্ৰ সন্থা"

" জয়তু পাতিদৰং মহাবিদ্যালয়।"

শ্ৰদ্ধাৰে —

**শ্ৰী পম্পী ডেকা**

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা

ইং -২০১২-২০১৩ বৰ্ষ

# কুইজ

— ৰুমি নাথ
স্নাতক প্ৰথম বৰ্ষ

(১) ডাক ঘৰৰ সংখ্যাৰ দিশত ভাৰত বিশ্বৰ ভিতৰত প্ৰথম দেশ। ভাৰতৰ পিছতে বেছি ডাকঘৰ থকা দেশখনৰ নাম আপুনি জানেনে?
উত্তৰঃ- চীন দেশ।

(২) ভাৰতত প্ৰথম কোন চনত ডাক টিকট প্ৰচলন হৈছিল আৰু সেই ডাক টিকট কাৰ ছবিত চিহ্নিত হৈছিল বাৰু?
উত্তৰঃ- ১৮৫৪ চনত ৰাণী ভিকটোৰীয়াৰ ছবি।

(৩) PIN CODE ব্যৱস্থাৰ আৰম্ভণি আমাৰ দেশত প্ৰথমে কোন চনত আৰম্ভ হৈছিল?
উত্তৰঃ- ১২৭২ চনৰ ১৫ আগষ্টত।

(৪) 'চকুলো আকৃতিৰ দেশ' বুলি কলে কোনখন দেশক কোৱা হয় আপুনি জানেনে?
উত্তৰঃ- শ্ৰীলংকা।

(৫) পৃথিৱীৰ আটাইতকৈ দ্ৰুত বেগী চৰাইবিধৰ নাম কি বাৰু?
উত্তৰঃ- চুইফট।

(৬) 'জম্বুদীপ' বিশ্বৰ এখন সমৃদ্ধিশালী ৰাষ্ট্ৰৰ পুৰণি নাম। দেশখনৰ নাম কি?
উত্তৰঃ- ভাৰত।

(৭) ভাৰতবৰ্ষৰ জাতীয় পক্ষীবিধৰ নাম 'ময়ুৰ' আমেৰীকাৰ জাতীয় পক্ষীবিধৰ নাম কি?
উত্তৰঃ- ঈগল।


(৮) টাইটানিক জাহাজখনৰ নিৰ্মাতা কোন?
উত্তৰঃ- হোৱাইট ষ্টাৰগিল্ড।

(৯) বিশ্বৰ সৰ্বাধিক লিচু উৎপাদনকাৰী দেশখন আমাৰ এখন প্ৰতিবেশী ৰাষ্ট্ৰ। দেশখনৰ নাম কি?
উত্তৰঃ- চীন।

(১০) কোনজন বিশ্ববিখ্যাত ব্ৰাজিলিয়ান তাৰকাক 'দা লিটল বাৰ্ড' বুলি কোৱা হৈছিল?
উত্তৰঃ- গাৰিঞ্চাক।

# কুইজ

— শ্ৰী উজ্জল ডেকা
বি.এ. প্ৰথম বৰ্ষ




প্ৰঃ প্ৰথম অসমৰ মুখ্যমন্ত্ৰী কোন আছিল?
উঃ লোকপ্ৰিয় গোপানাথ বৰদলৈ

প্ৰঃ অসমৰ পৰা হোৱা প্ৰথম ভাৰতৰ ৰাষ্ট্ৰপতি কোন?
উঃ ফখৰুদ্দিন আলি আহমেদ।

প্ৰঃ কামৰূপ জিলাৰ সদৰ কি?
উঃ আমিনগাওঁ।

প্ৰঃ মৌ- মাখিৰ চকু কেইটা?
উঃ ৫ টা

প্ৰঃ ভাৰত পাকিস্তানৰ সীমা নিৰ্ধাৰণ কৰা লাইন ডালক কি বুলি কোৱা হয়?
উঃ ৰেড ক্লীফ লাইন।

প্ৰঃ ভাৰতৰ সৰ্বপ্ৰথম কবি কোন আছিল?
উঃ মহৰ্ষি বাল্মীকি।

প্ৰঃ বিশ্বৰ সকলোতকৈ প্ৰাচীন ধৰ্মপুথি কোনখন?
উঃ ঋকবেদ।

প্ৰঃ ভাৰতৰ সকলোতকৈ পৱিত্ৰ নদী কোনখনক কোৱা হয়?
উঃ গংগাক।

প্ৰঃ ভাৰতৰ সৰ্বপ্ৰথম চলচিত্ৰ খনৰ নাম কি?
উঃ ৰজা হৰিশ্চন্দ্ৰ।

প্ৰঃ বিশ্বৰ ক'ত বগা হাতী পোৱা যায়?
উঃ থাইলেণ্ডত।

প্ৰঃ উৰিব পৰা ভেকুলীটোৰ নাম কি?
উঃ ৰাকুফুৰা।

প্ৰঃ কোন ঠাইত পাঁচটা সূৰ্য দেখা পায়?
উঃ চীনৰ চিংগ নাইংগ চুং চহৰত।

প্ৰঃ কোন দেশৰ মানুহে গছত বাস কৰে?
উঃ কাংগো বেচিনৰ বাসী (আফ্ৰিকা)

প্ৰঃ বিশ্বৰ সবালোতকৈ প্ৰচীন ধৰ্ম কি?
উঃ হিন্দু ধৰ্ম।

প্ৰঃ টেঙা মৌ কত পোৱা যায়?
উঃ ব্ৰজিলৰ জঙ্গলত পোৱা যায়।

প্ৰঃ ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি কোন আছিল?
উঃ ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ।

প্ৰঃ পৃথিৱীৰ আটাইতকৈ ধনী ব্যক্তিজনৰ নাম কি?
উঃ আমেৰিকাৰ বিল গ্ৰেটছ্।

প্ৰঃ বিশ্বৰ গৰম পানীৰ হ্ৰদ কি?
উঃ বৈকাল হ্ৰদ।

# কৌতুক

— শ্ৰী অনিতা কলিতা
স্নাতক প্ৰথম বৰ্ষ

(১) চাহৰ কাপত মাখি এটা পৰি থকা দেখি গ্ৰাহকে মেনেজাৰক আপত্তি কৰিলে। মেনেজাৰে লগে লগে চাহৰ কাপত আঙুলি ভৰাই মাখিটো উলিয়াই আনি কিছু সময় চাই উত্তৰ দিলে- ঃ ক্ষমা কৰিব মাখিটো আমাৰ হোটেলৰ নহয়।

(২) ঘৈনিয়েকৰ অফিচলৈ গৈ বাস্তা সিঙে দেখিলে বৰুৱাৰ কোলাত তাৰ ঘৈনীয়েক বহি আছে। খণ্ডত একো কোৱা নাই হৈ বাস্তাই ঘৈনীয়েকক কলে - হেৰৌ ঘৰলৈ ব'ল। এনেকুৱা অফিচত কাম কৰাৰ কোনো দৰকাৰ নাই, যত ষ্টাফৰ মানুহ বহিবলৈ চকী নাই।

(৩) পতি ঃ ইন্সপেকটৰ চাহাব মোৰ পত্নী কালি গধুলিৰে পৰা ঘৰলৈ অহা নাই।
পোষ্টমাষ্টৰ ঃ এয়া ডাকঘৰহে। আপুনি থানালৈ গৈ কমপ্লেইন লিখাওক।
পতি ঃ ছুৰী ছুৰী ফুৰ্তিতে পাগল হৈ গৈছো।

(৪) কনটিলৌ ঃ মই বিচাৰো মোৰ পত্নী বুদ্ধিয়ক হওক ধুনীয়া হওক আৰু মিঠা মুখীয়া হওক।
কনপিতৌ ঃ বস্তু - বাহিনীৰ ইমান দাম তিনিজনী পত্নীক খুৱাবি কেনেকৈ।

# জানানেঃ-

— শ্ৰী দীনেশ ডেকা
পঞ্চম ষাণ্মাসিক।



১) অসমৰ সৰ্বপ্ৰথম বুৰঞ্জী প্ৰণেতা কোন?
উত্তৰঃ- আহোমসকল।

২) অসমৰ ৰাজধানী দিশপুৰলৈ কেতিয়া অনা হয়?
উত্তৰঃ- ১৯৭৪ চনত।

৩) সৰ্ব প্ৰথম অসমীয়া গদ্য লিখক কোন?
উত্তৰঃ- ভট্টদেৱ।

৪) অসমৰ সৰ্বপ্ৰথম কথাছবি পৰিচালক কোন?
উত্তৰঃ- প্ৰমথেশ বৰুৱা।

৫) অসমৰ সৰ্বপ্ৰথম ইঞ্জিনীয়াৰ কোন?
উত্তৰঃ- বলিনাৰায়ণ বৰা।

# কেই গৰাকীমান অসমৰ সবপ্ৰথম মহিলাঃ-

— শ্ৰী সমৰ ডেকা
পঞ্চম ষান্মাসিক।

১) অসমৰ সৰ্বপ্ৰথম মহিলা মন্ত্ৰী - শ্ৰী মতী মেভিচ ভান

২) অসমৰ সৰ্বপ্ৰথম মহিলা পাইলট - শ্ৰী মতী ধীৰা হাজৰিকা

৩) অসমৰ সৰ্বপ্ৰথম ৰাষ্ট্ৰীয় বটা লাভ কৰা মহিলা - শ্ৰী মতী নলিনীবালা দেৱী।

৪) অসমৰ সৰ্বপ্ৰথম উচ্চতম ন্যায়ালয়ৰ মহিলা ন্যায়ধীশ - শ্ৰী যুতা মীৰা শৰ্মা

৫) অসমৰ সৰ্বপ্ৰথম এ.চি.এছ মহিলা - শ্ৰী যুতা পাৰুল দাস






পাতিদৰং মহাবিদ্যালয়
অসমীয়া বিভাগ










21/09/2013 16:14



সতীর্থ সন্মিলন ও
মুকলি সভা













অধ্যক্ষৰ লগত ছাত্ৰবৃন্দ সকল।



সম্পাদনা সমিতি



*Design & Printed at :-*
**Maa Manasha Printers**
Zoo Road Tiniali, Guwahati-3